Government of Assa'

মুকুতি।

শ্রীকমলেশ্বৰ চলিহা
প্ৰণীত।
যোৰহাট।

সৰ্ব্বস্বত্ব সংৰক্ষিত—
নৱকণ্ডিকো কোম্পানী.
যোৰহাট।

GOVERNMENT OF ASSAM
891.451
C.35 Muk
LIBRARY.

১৮৫৯ শক।

১৲
বেচ ১ [redacted]

DISTRICT LIBRARY.
TEZPUR

মুদ্রাকৰ—শ্ৰীসতীশচন্দ্ৰ ব্ৰহ্মচাৰী
অন্নদা প্ৰিন্টিং হাউচ্
যোৰহাট।

অৰ্পণ।

যি সকলৰ আনন্দ, আশ্বাস, বেদনা আৰু অনুভূতিয়ে মোৰ অন্তৰ স্পৰ্শ কৰিছে, সেই সকলৰ চৰণত আন্তৰিক প্ৰীতি আৰু কৃতজ্ঞতাৰে এই অৰ্ঘ্য অৰ্পণ কৰিলোঁ।

শ্ৰীকমলেশ্বৰ চলিহা

DISTRICT LIBRARY.
TEZPUR

"Reader! attend, whether thy soul
Soars fancy's flight beyond the pole,
Or darkling grubs the earthly hole
In low pursuit;
Know—prudent, cautious self-control
Is wisdom's root."

—*Robert Burns.*

সূচী-পত্ৰ।

	বিষয়।	পৃষ্ঠা
১।	সৃষ্টি-উষা	১
২।	প্ৰভাত	৩
৩।	মায়া	৯
৪।	মিলন-নীতি	১৮
৫।	উপেক্ষা	৪০
৬।	প্ৰৱচন	৪৭
৭।	প্ৰেমৰ গৌৰৱ	৫৫
৮।	প্ৰতীক্ষা	৭১
৯।	মুক্তি	৯৩

Library books will give you joy for long
... with ... Leeds

মুকুতি।

———]৹[———

সৃষ্টি-উষা।

জীৱনৰ পাতনিটি উন্মনা উষাৰ দৰে,
খোজ দিয়ে ধীৰে ধীৰে ই মায়া-বাটত,
কোমল ৰাঙলী-ৰঙে ই চিত্ত ব্যাকুল কৰে
তুপাহি শেৱালি-ফুল সৰি পৰে বতাহত।
কি কথা বতাহৰ আগে আগে উৰি যায়,
কি কথা মন কৰি ফুলটিয়ে যুৰি চায়.
চঞ্চল-মনৰ এই কি কথা-পৰিমল—
আপুনি বিযাপি পৰে 'প্লুত' কৰি ধৰাতল।
জীৱনৰ সুখ-সুধা এই যে হাঁহিটি হায়,
উষাৰ কোমল-বিভা চঞ্চলা-চপলা প্ৰায়!
মধুময় হাঁহি, বিত্ত মানুহে মধুৰ পায়
এয়ে যে ৰঙীন 'নিছা', এই আছে-এই নাই

আহঁা তুমি আহঁা মোৰ জীৱনৰ ঊষাদেৱী,
জীৱন সফল কৰোঁ সুকোমল-পদ সেৱি।
লগৰীয়া তুমি মোৰ জীৱনৰ মৰণৰ,
বান্ধিবা লগতে মোক চঞ্চল-চৰণৰ।
যদিও তোমাৰ ৰথ অতি লঘু-দ্ৰুতগামী
নিয়াঁ তাক ধীৰে ধীৰে আজি মাথোঁ দিনযামী।
ইকি! আহা, জীৱনৰ মধুৰ-সপোন তুমি
ৰাঙলী-বসনে তব চুলে মোৰ দেহাভূমি!
এই যে সুবাস-মধু দিব্য-গন্ধ পাৰিজাত
আঁচলত সোণৰেণু, শৰীৰত সোণপাত।
চৰণ-কমল তব পদুমৰ গোন্ধ সনা
বসনৰ মৃদুবায়ে কি কয় নাই জনা।
লভি তব পদধূলি ধৰণী যে উন্মাদিনী
পৰশন লভি পুনু নীলিমায়ে উদাসিনী।
নিৰ্ম্মল-সমীৰ বয়, ফুলে ফুল, লৰে পাত
নিয়ঁৰত তৃণবিন্দু জ্বলি উঠে অকস্মাৎ।
মুকুতাৰ দৰে জ্বলে, চকু মোৰ অনিমিষ
চাই লীলা, চাই মায়া অজানিত অনুদ্দিশ।
কি পূজা কৰিম মই, বন্দনা-ভাষা নাই,
অৰ্চ্চনা কৰিবপৰা উপচাৰ নাই নাই।

 PLE... HANDLE THE BOOK CAREFULLY.

ধৰা এই বীণাখনি সকৰুণ-গীত গাম
তোমাৰ লাৱনি দেৱী, চকুভৰি আজি চাম।
বোৱা বীণ', জোৱা সুৰ চঞ্চল-মনোৰম,
জগতৰ শ্ৰুতিযুগ তৃপিতিৰে ভৰি ৰক,
প্ৰকৃতিত স্ফৰি ৰক কম্পন-অনুক্ষণ।
ৰাগিনীৰ জোঁকাৰণি দিশে দিশে বিয়াপক।
চম্পক-আঙুলি লই বোৱা বীণা, তোলা সুৰ,
সৃষ্টিৰ ই উন্মাদনা ৰাগিনীৰে হক পূৰ।

প্ৰভাত।

অনুপৰমাণুবোৰে কাক আজি প্ৰণতি জনায়?
সকলো শৰীৰ জুৰি এটি মাত্ৰ কম্পন জগাই?
ধৱল ৰূপিণী হেৰা! গাওঁ মই গৰিমা তোমাৰ—
উঠক ধ্বনিত হৈ কণ্ঠ-গীতি এই অভাগাৰ।
দুৰ্ব্বল নিশ্চিত দেৱী! কল্পনাৰ নাই উদ্দীপনা
সঙ্গীত-ছন্দৰ নাই সহজ-প্ৰেৰণা,
মেধাৰ ঈশ্বৰী তুমি, কৰিবানে অকণি কৰুণা,
জগাবানে বোধ মোৰ সৌন্দৰ্য্যৰ অনন্ত বৰুণা?

মানসৰ সৰোবৰ লক্ষ্যি উৰে ৰাজহাঁহজাক
আশা কৰি সুখময় সুস্নিগ্ধ মৃণাল,
তোমাৰ বীণাৰ স্বৰে বিতৰক সঞ্জীৱনী-বাক
ছন্দ হক মন্ত্ৰসম, ভাষা হক ভাল।
এই যে কোমলৰূপে আবিৰ্ভাৱ পুণ্যসৱিতাৰ
উদয়গিৰিত জুৰি পোহৰৰ অনন্ত পোহাৰ
যাৰ জিলিঙনি পৰি সাগৰৰ বহল বুকুত
তুলিছে অপূৰ্ব্ব-আভা কি মহিমা, কি মহা গুপুত।
ধৱল ৰূপালী বালি সুকোমল-সুন্দৰ-মসৃন
ঠায়ে ঠায়ে ৰঙা-শিল, ওচৰত নাই তৰু-তৃণ।
সূৰুযৰ ৰেখে আহি চুমিছেহি প্ৰতি বালিকণা
প্ৰতিটি শিলত হায়, অপৰূপ কাৰ তেজ সনা।
পলাশ মোহিনী-উষা, পিছে পিছে সূৰুযৰ ৰথ
উন্মাদ গতিৰে চলে, কিনো উনমত্!
যোৱাঁ হেৰা উষাদেৱী, ৰোৱাঁহে তপন
চাই যোৱাঁ বিজনত ডুযুৰি নয়ন।
ডুযুৰি নয়ন, তাৰে এযুৰি উজ্জ্বল,
আনযুৰি লাৱণ্যত অতি সুকোমল।
এযুৰি চকুত জ্বলে বাসনা প্ৰবল,
ইযুৰি কিকৰ জানো অলপ সজল।

দুটি নৰ-নাৰী বহি সমুদ্ৰ-বালিত
দুটিয়ে সিটিক চাই মুগ্ধ-বিমোহিত।
দুটি দেহাধাৰী জীৱ সৌন্দৰ্য্য-অন্বিত
দুটিয়ে সিটিক চাই মুগ্ধ-বিমোহিত।
সমুদ্ৰ নীৰৱ, বায়ু নীৰৱ-শীতল।
উদাৰ-আকাশ লঘু, প্ৰশস্ত-নিৰ্ম্মল।
নীলাম্বু ঈষৎ লৰে পুৱা-বতাহত,
চঞ্চল-পানীত তীৰ ঈষৎ আহত।
বহল-পাখিৰে উৰে সমুদ্ৰ-বিহগ,
কেতিয়াবা হয় পুনু পানীত নিমগ।
ধৱল-পাতল মেঘ উৰে দশোদিশে,
আহিনৰ অভ্ৰ দ্ৰৱে নিমিষে নিমিষে।
ক্বচিৎ দূৰত দেখি এখনি-দুখনি,
তৰঙ্গত নৃত্যপৰ ডোঙৰ তৰণী।
কোনোবা এখনি নাও গায় পাল তৰি,
অনুকূল-বতাহত পূৰ্ণ গতি ধৰি।
দিক-চক্ৰবাল ৰেখা দূৰ-সুদূৰৰ,
লুকাল সকলো তাতে হ'ল অগোচৰ।
অকলে নীৰৱে শোভে তৰুণ-তপন।
নীৰৱে শোভিছে শান্ত সাগৰ, গগন।

অকলে নীৰৱে শোভে দুটি নৰ-নাৰী,
অবিচল ৰূপে দুয়ো দুয়োকো নেহাৰি।
দুয়োৰে সুন্দৰ আভা বদনে বয়ানে,
দুয়োৰে জীৱন জ্বলে পৰাণে পৰাণে।
দুয়োৰে চকুৱে স্থিৰ বিজুলী বিকাশে,
দুয়োৰে কপোলে স্থিৰ প্ৰতিভা প্ৰকাশে।
দুয়োৰে সুন্দৰ দেহা দেৱতা সমান,
দুয়োৰে সৃষ্টিত স্ৰষ্টা নিপুণ প্ৰধান,
দুয়োৰে অঙ্গত দিলে স্ৰষ্টাই লাৱনি
এটিৰ অঙ্গত সেয়ে জ্বলন্ত-অগনি,
এটিৰ অঙ্গত সোণ শীতল-সৰল,
ইটিৰ অঙ্গত সেয়ে তৰল-অনল।
এটিৰ অঙ্গত পূৰ্ণ-মাধুৰি প্ৰকাশে
ইটিৰ অঙ্গত দীপ্ত-দামিনী বিকাশে।
তৰুণ-অশ্বত্থ এটি সুন্দৰ-সৱল,
আকাশী-লতাৰ দৰে ইটি দুৰবল,
তেজস্বী হোমাগ্নি এটি, অতি সুকুমাৰ,
ইটি দীপশিখা স্থিৰ, অনিন্দ্য-প্ৰভাৰ।
এটিৰ দেহত বীৰ্য্য প্ৰভাৱ বিক্ৰম,
হিল্লোল-ছন্দত ইটি তনু মনোৰম।

এটিৰ কণ্ঠত ভাষা, গম্ভীৰ ভয়াল,
ইটিৰ কণ্ঠত স্নিগ্ধ, লালিত্য সঞ্চাল।
এটিয়ে তৰ্জ্জনী তুলি কয় ধীৰে ধীৰে,
বজ্ৰাহত মিলে বাণী গম্ভীৰ-গতিৰে।
মুখৰ ভঙ্গীটি ভৰা বিদ্ৰূপ-হাঁহিৰে
চকুত করুণা-ৰেখা ভ্ৰূকুটি-ভঙ্গীৰে। -
কপালৰ থোপাটিত মিলে চেলাউৰি
যোৰ পাই ডুচকুৰে ধনুসম ঘূৰি।
বিশাল দুয়োটি চকু তেজে পৰিপূৰ
আৰক্তিম নাসিকাগ্ৰ যেন তিলফুল।
শালপ্ৰাংশু-মহাভুজ, তেজী-বৃষস্কন্ধ,
বহল সুদৃপ্ত-বক্ষ, পুষ্ট সিংহবন্ধ।
কুঞ্চিত সুকৃষ্ণ-কেশে চুমে দুয়ো কান্ধ,
গিৰিসম শৰীৰত মেঘসম বান্ধ,
গহীন কম্পিত স্বৰ, মুক্ত-সমীৰণ
বিয়াপে সি স্বৰ ধীৰে গগন-পৱন।
অবাৰিত. মহামুক্ত, সৌন্দৰ্য্য অবাধ
ৰৌদ্ৰদীপ্ত নীলাম্বৰ উন্মুক্ত অবাধ।
ইটিয়ে উত্তৰ দিলে ধীৰে-ধীৰে-ধীৰে,
অৰপি সকলো যেন প্ৰতিটি বাণীৰে।

প্ৰতিটি বাণীতে যেন উথলে অমিয়া
প্ৰতিটি বাণীতে যেন গলি যায় হিয়া।
প্ৰতিটি বাণীতে যেন হৃদি-উৎস দলি,
প্ৰতিটি বাণীতে সত্য পৰিছে উছলি।
জুৰিৰ পানীৰ দৰে হৃদয় সৰল,
পাৰ্ব্বতী-তটিনী যেন স্বচ্ছন্দ-নিৰ্ম্মল।
যি তৰঙ্গ ভঙ্গত জুৰি ধীৰে বই যায়
পৰ্ব্বতৰ গুহা-বন-শিলনি কঁপাই,
সেই ভঙ্গীমাকে লই অন্তৰৰ পৰা,
ৰয় সুমধুৰ-ভাষা দুখ-তাপ হৰা।
হঠাতে হাতটি মেলি চঁপা-আঙুলিৰে,
বুটলি আনিলে এটি শিলগুটি ধীৰে।
অতিকৈ ধাউলী সিটি সৰু-শিলগুটি
ওষ্ঠস্পৃষ্ট কৰি তাক থলে ধীৰে পুতি।
তাৰ পিছে হাতদুটি তুলি যুক্ত কৰি
থিয়ালে খন্তেক ; পিছে হৃদয়ত ধৰি
বুলিলে এষাৰি-বাণী অতি সকৰুণ,
দুয়োটি চকুতে নীৰ ব'লে নিদাৰুণ।
তাৰ পিছে খন্তেকতে বালি আঁতৰাই
শিলগুটিটিক ধীৰে নিলে উলিয়াই।

তাৰ পিছে ভালৰূপে চকু-লোতকেৰে
তিয়ালে সৰ্ব্বাঙ্গ তাৰ অতি আবেগেৰে।
তাৰ পিছে ধীৰে ধীৰে অতি সন্তৰ্পণে
অৰপিলে ইজনৰ পাৱত যতনে।
তাৰ পিচে সাক্ষী কৰি প্ৰদীপ্ত-তপন,
থিয় হ'ল লক্ষ্য কৰি সুমেৰু-গগন।
তাৰ পিচে প্ৰণমিলে কৰি দণ্ডৱত্
দ্ৰষ্টা কৰি মহোদধি, ই মহা-জগত।
এছাটি মঙ্গল বায়ু বলে আচম্বিতে
পৰশি যুগল শিৰ একেটি ছাটিতে।
স্তম্ভিত হ'ল আকাশত ক্ষন্তেক ভাস্কৰ,
সাগৰ ক্ষন্তেক শান্ত, মৌন নীলাম্বৰ।

মায়া।

আজি কাৰ মাতটিয়ে হৰষণ জগালে প্ৰাণত
—পৰশন আশা কৰি কাৰ হাত শীতল সুন্দৰ?
ধৰণীৰ দিশে দিশে কাৰ মায়া, কোন জাদুকৰ
কাৰ মন্ত্ৰপূত হই সংজ্ঞাশূন্য দেহ অৱনত?

বতাহে আনিছে কাৰ মধুবাৰ্ত্তা সৰগ-অধিক,
অনন্ত আবেশ ঢালি, তন্দ্ৰা আনি, ই যাত্ৰা-পথৰ ?
সম্মোহন-মন্ত্ৰ মাতি, কোনে হেৰা জীৱন-যজ্ঞৰ
পূৰ্ণাহুতি দিব খোজে প্ৰাণ তাত, কোন প্ৰাণাধিক ?
ৰোৱাঁ! হেৰা, পৃথিবীৰ-ক্ষীণ প্ৰাণ মুগ্ধ-বাটকুৱা,
প্ৰাণত আশ্বাস পাবা, বল পাবা, আজি ঘূৰি চোৱাঁ ।
মৰুভূমি-সংসাৰত আছে এটি ফটিক-জৰণা
ভাগৰ-সন্তাপ-দুখ হৰি নিয়ে স্নিগ্ধ-পৰশেৰে ।
শৰীৰত উঠে জাগি নৱ-বল, নতুন-প্ৰেৰণা
পূৰ্ণ হয় নিকেতন মধুগন্ধ পুণ্য-পৱনেৰে ।
চিনি পাওঁ সিজনক, ধৰ্ম্ম যাৰ সৃষ্টিৰ কামনা,
প্ৰকৃতিৰ পটে পটে, জ্বলে যাৰ সৃষ্টিৰ কাহিনী,
আকাশৰ ওপৰত আছে যাৰ অনাদি আসন,
সেই সুন্দৰৰ প্ৰতি অযাচিতে জনাই বন্দনা ।
সংসাৰৰ প্ৰাৰম্ভত জোৰে নৰে সৃষ্টিৰ ৰাগিনা,
তুচ্ছ কৰি সি সুৰত, দেহ-আত্মা, জনম-মৰণ ।
প্ৰেম সিজনৰ নাম, সৃজনত সতত-চঞ্চল,
মায়াময় ৰূপ যাৰ, নিমিষতে মৰণ-উতল ।
সৌভাগ্যৰ পুৰোহিত, স্থিৰ সিটি ধ্ৰুৱতৰা সম
মৰণ-যন্ত্ৰণা তুচ্ছ, নীতি তাৰ অতি মনোৰম ।

যি ছন্দত তালে তালে পৃথিৱীৰ অদ্ভুত-নৰ্ত্তন
যি লাস্যত প্ৰকৃতিৰ লীলাময়ী সৃষ্টিৰ পাতন,
যি মধু-ভঙ্গীটি লই সমীৰৰ হিল্লোল-প্ৰবাহ
যি ভাৱত ই ধৰণী জোনাকত হয় অৱগাহ।
তেনে সুনিয়ম মানি প্ৰেমৰাজ্য সুচিৰ-নতুন,
অনিৰ্ব্বান দীপশিখা দেহে-দেহে লাৱণ্য-নিপুণ।
যি সৃষ্টিৰ আকাঙ্ক্ষাত মায়াময় অনন্ত-ৰহস্য
প্ৰেমৰূপে অন্তৰত ধীৰে ধীৰে কৰে বিচৰণ,
নশ্বৰ-ক্ষণিক এই জীৱনত কি তাৰ উদ্দেশ্য
জগতৰ যাত্ৰা-পথ কৰে কিয় অতৃপ্তি-কাৰণ?
দুদিনৰ যাত্ৰী আমি, পৰ নাই, গতি বহুদূৰ
পাথেয় সম্বল নাই—তাত কিয় সম্মোহন-সুৰ?
যুগমীয়া যাতৰীক-ফন্দি এয়ে বন্দী কৰিবৰ
অদ্ভুত চক্ৰীৰ চক্ৰ, তিলেকতে কৰে অথন্তৰ।
মানি ললোঁ, সংসাৰত শ্ৰেষ্ঠ এই যাতনা ভঁৰাল,
আছে তাত মহাধন, আছে মহা-কামনা বিশাল।
লুব্ধ কৰে মানৱক অনুপম ৰত্ন-সম্ভাৰেৰে
যোগায় বাসনা-বহ্নি অতৃপ্তিৰ মহা-আহ্বানেৰে।
জন্ম-মৃত্যু দোমোজাত আছে নীল-সুখ-পয়োনাধ,
দেৱতা-দুৰ্ল্লভ সিযে কামময় প্ৰেম তাৰ বিধি।

কলি আক সৰিপৰা কুসুমৰ মাজৰ সৌৰভ,
অপূৰ্ব্ব সৃষ্টিৰ সৃষ্টি, প্ৰেম সিটি জগত গৌৰৱ।
সুদীৰ্ঘ-সংসাৰ-পথ জনহীন, নিঃসঙ্গ, নিঠুৰ,
আঁকা-বঁকা বনপথ, বই যায়, লক্ষ্যি বহুদূৰ।
মাজে মাজে ছাঁয়াময় মায়াময় ইকি মৰীচিকা!
কোন যায় লগে লগে লই ক্ষুদ্ৰ বাসনা-কণিকা?
দিয়া হেৰা কোন আছা, দিয়া মোক স্নিগ্ধ বাহুপাশ,
অৱশ-অঙ্গত মোৰ লাৱণ্যৰ পৰক নিশ্বাস।
আধা-ফুলা কলিটিৰ অন্তৰৰ আবেগৰ কথা,
বসন্তৰ পৱনক কোনে কয়?—কোনে বুজে ব্যথা?
পৰশ-ৰসিক এই পৱনত কলি টলমল,
চলি পৰে বাৰে বাৰে, বাৰে বাৰে বিকাশ-চঞ্চল।
লাৱণ্য-তৰঙ্গ বয় পাছে পাছে পূৰ্ণ-বিকাশত
সন্ধিয়াত বাজি উঠে সকৰুণ সুৰ-ছায়ানট!
পিছদিনা ধ্বংসস্তূপ, ছয়াময়া কোন বাজিকৰ?
কাৰ এই মহালীলা—কোন এই ৰুদ্ৰ ভয়ঙ্কৰ।
পৱন পলাল কেনি, অন্ত হ'ল মধু বসন্তৰ,
ফুলৰ পৰাগে সউ চুমিলেহি ধৰণী প্ৰান্তৰ।
স্পৰ্শ কৰা মাটি তুমি, সৌন্দৰ্য্যৰ অনন্য-উপম
হে কুসুম, হে যুৱতি, স্পৰ্শ কৰা মাটি মনোৰম।

এ'য় মায়াৰাজ্য, তাৰ ভয়াবহ এয়ে পৰিণাম
অবিনাশী হে ধৰণী, কৰোঁ মই তোমাক প্ৰণাম।
তোমাৰ পৰশ মোক দিয়াঁ কেৰা বুকু-কপালত
প্ৰশান্তি লভিম মই সংসাৰৰ হ যাত্ৰা-পথত।
গাই যাম বাটে বাটে, হে ধৰণী, তোমাৰেই জয়,
মাটিৰ মন্দিৰ তুমি, সৰ্ব্বাঙ্গত তুমি মাটিময়।
নুচুবা নুচুবা মোক, কুহকিনী ঘোৰ জাদুকৰী,
নিদিবা বাহুৰ পাশ মায়াৰূপা হে ছদ্ম-সুন্দৰী।
অনন্ত সুস্নিগ্ধ মই ভাল পাওঁ সেউ চকুযুৰি,
কোমল নীলাক্ষি কাৰ চাব খোজোঁ থাই হাবাথুৰি।
সংসাৰৰ বাটে বাটে এয়ে মোৰ প্ৰাণৰ আলয়—
এয়ে মোৰ শেষ গতি নঘটাবা ইয়াত প্ৰলয়।
সংসাৰত যিটি নৰে ভাল পায় ফুলৰ সৌৰভ
সুখৰ সপোন দেখি ভোল যায় কৰি কলৰৱ,
দিয়াঁ তাক বাহুপাশ, সেই নৰ তোমাৰ কিঙ্কৰ,
তোমাৰ মায়াৰে তাক, নিয়াঁ টানি, জন্ম-জন্মান্তৰ।
মোহৰ সুন্দৰ মুখা পিন্ধি তেওঁ দৰ্শিব জগত,
দৰ্শিব অপত্য-বন্ধু পৰিজন-আত্মীয় সতত।
তোমাৰ হাতত ধৰি অনুপম মৃণাল-কোমল
ঘূৰাব সংসাৰ-চক্ৰ, নিজে তাতে ঘূৰি অবিৰল।

মোক দিয়া মাটি, মই ভাল পাওঁ মাটিৰ কণিকা
যামগই শেহন্তত গাত লই মাটি-যৱনিকা।
সিজনৰ পাকে পাকে সৃষ্টি-শক্তি হ'ব প্ৰাদুৰ্ভাৱ,
মায়াত আচ্ছন্ন কৰি তুমি তাতে হ'বা আবিৰ্ভাৱ।
চলিব চঞ্চল-চক্ৰ, হব নৰ ধীৰে ভূমিশায়ী,
কৰিবা অনন্ত-নৃত্য দলি তাক, তুমি ৰক্তপায়ী।
নিষ্ঠুৰ খড়গ লৈ শেহন্তত কৰিবা সংগ্ৰাম,
ভাগিব সংসাৰ তাৰ, প্ৰেমে তাৰ কৰিব প্ৰণাম।
অকস্মাৎ ধ্বংসৰূপা হ'বা তুমি, দ্ৰুতা মায়াবিনী,
নিমিষতে শেষ কৰি নৱ-সৃষ্টি সৃষ্টি-প্ৰসৱিনী।
উদ্যত ভীষণ তব খড়গৰ দেখি সঞ্চালন,
কঁপিব সৃষ্টিৰ চক্ৰ, নৰ্ৰা হব মৃতক সমান।
পলে পলে, হে সুন্দৰী, তুমি মোক মন্ত্ৰেৰে টানিছা,
ভাৱনা বিহ্বল কৰি, স্নায়ু মোৰ দুৰ্ব্বল কৰিছা।
পলে পলে, ৰচি তুমি কামনাৰ মায়া-বিবৰ্ত্তন,
চঞ্চল কৰিছা মোক বাৰে বাৰে, কৰি আকৰ্ষণ।
সেই ৰমণীটি হায়, হৃদয়ৰ কিনো বেদনাৰে,
জীৱন-সৰ্ব্বস্ব মোত, অৰপিলে অতি সকাতৰে।
দুখনি সুন্দৰ হাতে হিয়াখনি ফালি দেখুৱাই,
অৰ্পিলে সকলো মোত একো আৰু বাকী নৰখাই।

নির্জ্জন সি সিন্ধুতীৰ আকাশত তপনে অকলে,
চাইছিল ৰমণীক আত্মদান কৰা সুবিৰলে।
শুনিছিল সমুদ্ৰই কলাসম অমৃত-ভাষণ,
জগতে স্তম্ভিত হৈ দৰ্শিছিল কটাক্ষ-ইক্ষণ।
পৱনে-পৱনে হায় উৰিছিল বসন-মাধুৰি,
সুগোন্ধ সঞ্চাৰি মোত অকাৰণে কৰিলে চাতুৰি।
অধৰৰ বাণীখিনি অমিয়ানে? গৰল—গৰল!
সুন্দৰ সি তনুলতা গলি থকা সুবৰ্ণ-তৰল।
সুগোল-নিটোল সেই দুবাহুৰ স্পৰ্শ-অভিলাষ
পুলকি আন্দোলে মোৰ অন্তৰৰ অন্তৰ আবাস।
মই বনস্পতি, মোৰ বাসনাৰ নাই পৰিসীমা,
বিস্তাৰি প্ৰশাখা-শাখা, চাওঁ মই মৰত-মহিমা।
মোৰ এয়ে শান্তি, মই ধ্ৰুৱত্বৰ কৰোঁ আৰাধনা,
পল্লৱে, বল্কলে মোৰ বাজি উঠে, গম্ভীৰ বন্দনা।
সন্ধিয়া আৰতি কৰোঁ, পূজা কৰোঁ পুৱা সৱিতাক,
বিধিৱতে নিয়ন্তাক অৰ্চ্চো মই কৰি যজ্ঞ-যাগ।
সত্যসুন্দৰক মানো, বাটে বাটে চলোঁ ভয়ে ভয়ে।
কিজানিবা দোষ কৰোঁ পূজে যাক ঋষিঋভুচয়ে।
ভাৰতবৰ্ষৰ এই সাম্ৰাজ্যত, এয়ে মহা আদৰ্শ-জীৱন,
এই জীৱনতে মই লভোঁ যেন সহস্ৰ-মৰণ।

নডৰো সংসাৰ-দুখ, কপালত মোৰ জয়টীকা,
তুচ্ছ ম'নো সংসাৰৰ মিলনৰ বাসনা-কণিকা।
তথাপি—তথাপি আজি ঘটে মোৰ ঘোৰ-পৰাজয়,
কঁপিছে নিভীক বুকু, সদা যিটি নিশঙ্ক-নির্ভয়।
কোনে হেৰা বজ্ৰৰূপে মোক আজি কৰিলে চুম্বন ?
দুৰন্ত দুঃসহৰূপে শিলা-বৃষ্টি কৰি নিমৰম ?
মহাভাৰৰূপে কোনে হৃদয়ত দিলে গুৰু চাপ,
অৱশ-অঙ্গত মোৰ কোনে দিলে আগ্নেয়-সন্তাপ ?
হৃদয়ৰ শ্ৰেষ্ঠ বৃত্তি—শ্ৰেষ্ঠ যিটি সতীত্ব ৰতন,
অযোগ্য, অভাগ্য মোত, কোনে কিয়, কৰিলে অৰ্পণ ?
হে বিধি, হে প্ৰজাপতি, কিনো এই ধেমালি তোমাৰ,
দুৰন্ত-বান্ধোন লৈ, কিয় এনে সৃজিছা সংসাৰ ?
জানো, এই সংসাৰক মানোৰম কৰিবা এদিন,—
এদিন হৰিবা তাৰ সৰ্ব্বআয়ু কাৰ্ব দীনহীন।
নৰভাগ্য-বিধায়ীতা, নিৰদয়, নিয়ম-নিঠুৰ,
কিয় ই কপট-লীলা ? কিয় এনে আচৰণ ক্ৰূৰ ?
হায় ! আজি মন মোৰ উতৰোল অথিৰ-অবিৰ,
কোনে জাদুদণ্ড লই স্পৰ্শে মোৰ শিৰ-উপশিৰ ?
দেখিছোঁ সুন্দৰ আজি ধৰণীৰ সীমা-উপসীমা,
দেখিছোঁ উজ্জলৰূপে জীৱনৰ মৰত-মহিমা।

অযুত সুগন্ধি-পুষ্প ফুলি ফুলি উঠে অনুপম,
স্বজন চঞ্চলবায়ু বই যায় স্নিগ্ধ মনোৰম।
মনত আপুনি ফুলে কামনাৰ শুভ্ৰ শতদল,
প্ৰতিটি পাহিতে তাৰ কামনাৰ অগ্নি টলমল।
কাণত বাজিছে আজি আদি সুৰ আদি হৰ্ষ লই,
নিফুত সঙ্গীত কাৰ পৱনত যায় ধীৰে বই!
কাণত জাগিছে কাৰ সুধাসম বচন অমিয়া,
ধীৰে ধীৰে উঠে ফুটি সঞ্জীৱিত কৰি মোৰ হিয়া।
বাহিৰ চেতনা মোৰ লোপ পায় ধীৰে অতি ধীৰে,
বিজুলীৰ ৰশ্মি এটি ব্যাপে যেন প্ৰতি শিৰে শিৰে।
দুচকুৰে দেখে মাত্ৰ এটি দীপ্ত-মূৰ্ত্তি মনোৰম,
দুকাণে শুনিছো তাৰ অনিন্দিত ভাষা সুধাসম।
অন্তৰত অনুভৱ সি মূৰ্ত্তিৰ লাৱণ্য-পৰশ,
চিত্তত পুলকি জাগে পৰশৰ নিবিড় হৰষ।
পৃথিৱীত নাই যেন একো বৰ্ণ একো জ্যোতি ৰেখা,
তোমাতে মিলিছে যেন সকলোটি বৰ্ণ-ৰূপ-ৰেখা।
হে মূৰ্ত্তি, হে মায়াৱিনী, শান্ত হোৱা নহৱা নিৰ্দ্দয়!
জীৱনৰ ই বিভ্ৰমত মাগো মই তোমাৰ অভয়।
ধৰাঁ হেৰা, ধৰাঁ মোক, আঘাতত হলোঁ প্ৰতিহত,
অৱশ পৰাণ মোৰ ঢলি পৰে তোমাৰ পাৱত।

— ২

মিলন-নীতি

কল্পনা সান্ত্বনাৰূপা আহাঁ আজি এটিবাৰ,
আঁকিব খুজিছোঁ মই পঁজা এটি দুখীয়াৰ।
সউ যে বকুলজুপি ডালে-পাতে ছাতি ধৰা,
তলেদিয়ে এটি বাট, সেইপিনে গতি ধৰা।
দুকাষে দুবৰিবন ঠন ধৰা সুকোমল,
ধীৰে ধীৰে খোজ দিবা ঠাই অতি নিৰমল।
সউপিনে বন-ফুল কণ কণ ফুলি আছে,
গোন্ধ নাই তথাপিও কি মাধুৰী বাৰু যাচে?
সুমৃদুল সমীৰত কঁপে চোৱাঁ ৰই ৰই,
প্ৰতিটি ফুলতে যেন মউ পৰে বই বই।
পদূলি পালোঁহি আমি ফু-মৰা মছা-সৰা।
এজুপি শেৱালি তাতে—ফুল কিন্তু নাই সৰা
তাৰ পিছে বিতোপন ফুলনি এখনি দেখোঁ,
বিবিধ ফুলেৰে ভৰা নাই ঠাই নাম লেখোঁ।
গোলাপ-টগৰ ফুল গোন্ধে-ৰূপে জাতিস্কাৰ,
অলেখ সুগন্ধি ফুল কোনে কব নাম তাৰ।
দুটি-এটি ফুলকলি সমীৰত পৰে ঢলি,
উদাস মুকলি বায়ু ধীৰে ধীৰে যায় চলি।

ফুলনি এৰিলোঁ আমি, পালোঁ সৰু পঁজা এটি।
আমগছ এজোপাই বাটটি যে থয় ভেটি।
ডাঙৰেই আমজোপা পাৰেমানে মলিয়ায়,
বসন্তৰ ৰতাহত তলি ভৰি সৰি যায়।
পাতটিৰ আগে আগে ৰঙা ৰঙা ঠাৰি সতে,
আমৰ ধুনীয়া মল দেখা পাওঁ প্ৰথমতে।
তাৰ পিছে সেউজীয়া পাতবোৰে শোভা কৰে,
গা-গছডালে চোৱা কি কান্তিৰে শোভা ধৰে।
এজুপি নিপুণ লতা সুকোমল মনোৰম।
গৈছে বগাই ধীৰে ফুলে-পাতে ধৰি ঠন।
সাৰটি সবল গছ দুৰবল লতিকাই
কি নীতিৰ বিধানত হেলাৰঙে উঠি যায়।
বুকুৰে বুকুৰে মিলি, পাতে পাতে ফুলে-ফুলে
বগাই সি লতাজুপি সুস্থ হৈ নে ভুলে ভুলে?
ভুল যদি, তেনেহলে সেই ভুল সঁচা হক.
শুধ কৰিবৰ তাক নাই আৰু আৱশ্যক।
সঁচা যদি ই বিধান, ই বিধান জয়ী হক,
ই বিশ্বৰ প্ৰতি প্ৰাণে বিধতাক প্ৰনমক।
সঁচা যদি ই বিধান—ভয় নাই গতি ধৰা
সাদৰি সাৱটি ধৰি শিৰে শিৰে স্পৰ্শ কৰা।

একে ভূমি একে বায়ু একে ৰ'দ উপভোগি,
লক একে মধুগীতি জীৱনৰ উপযোগী।
পাতসৰা জাৰকালি, বাৰিষাৰ বৰষুণ,
জেঠৰ সন্তাপ ৰ'দ সহি সহি নিদাৰুণ,
দুয়োজুপি বাঢ়ি যক ভুঞ্জি একে মাটি ৰস,
দুয়ো লভি প্ৰকৃতিৰ আশীৰ্ব্বাদ সুপৰশ।
—কিন্তু হেৰা পঁজাটিত কোন সিটি শিখাসম ?
পোহৰাই দশোদিশ প্ৰতিভাত নিৰুপম।
এগছি ঘিঁউৰ বন্তি—যেন স্বৰ্ণ আসনত
বিকীৰ্ণি উজ্জ্বল জ্যোতি বিভাপূৰ্ণ সুমহত।
মৰতৰ মানৱীৰ এনে জ্যোতি দেখা নাই,
নিস্প্ৰভ নহলে আৰু চাওঁতাৰ আশা নাই।
হেঙুলি বেলিৰ এটি লৰি আহি জিলিঙনি
মুখমণ্ডলত পৰি ঢালে কিয় উদ্দিপনী ?
মাৰযোৱা বেলি তুমি নিজ কাম তুমি কৰা,
এন্ধাৰৰ ঢাকনিৰে ই সৌন্দৰ্য্য ঢাকি ধৰা।
তোমাৰ ৰেখাই আহি মৰতৰ মানৱীৰ,
আঁকিছে যি ৰূপ-ৰেখা সচঞ্চল দীপিতিৰ
সেইৰূপ চাবপৰা মোৰ আজি চকু নাই,
মাৰ যক ৰশ্মিজাল—যক ৰেখা মোহ খাই।

নিমিষে নিমিষে সউ ভাঁতৰিল জিলিঙনি
ধীৰে ধীৰে মাৰ গল সৌন্দৰ্য্যৰ চমকনি।
চিনি পালোঁ চিনি পালোঁ কোন এই মানৱীটি,
সিদিনাযে তোমাৰেই শুনিছিলোঁ সুবাণীটি।
আজিযে ই বিৰলত সচিন্তিত সমলিন,
আঁকি ৰেখা নিশব্দে কপোলত শোভাকান।
বাণখনি দেখোঁ হেৰা ধৰণীত পৰি আছে,
তাঁৰে তাঁৰে লাৱণিটি এতিয়াও তাত নাচে।
ধ্বনি নাই তথাপিও কয় কাৰ বাণী এটি,
বসন্তৰ পৱনত হৃদয়ৰ আছে ভেটি।
হৃদয় মুকলি কৰা বোৱা বীণ বোৱা বীণ,
ধৰা তান ধৰা সুৰ চঞ্চল সীমাহীন।
ই জগত ই মৰত পাৰ হক সেই সুৰ,
অসীমৰ কোলাখনি সি সুৰতে হক পূৰ।
তোমাৰ নিপুণ সউ আঙুলিৰ পৰশত,
বীণখনি সঁচা হক সপোনৰ সফলত।
ই জগত ধ্বনিহীন তুমি বিনে জীৱনত,
নেবাজে কোমল-ৰাগ তুমি বিনে সংসাৰত।
আকাশত ছঁয়াময়া অলীক লিখনী কাৰ,
আন্ধাৰৰ ওপৰত লক্ষ লক্ষ তাৰকাৰ?

ঘৰে ঘৰে তাৰেদৰে কত দীপ জ্বলি উঠে,
নিশাৰ আন্ধাৰ হায় সুভীষণ হই ফুটে।
বিশ্বব্যাপী ই গহন তিমিৰত কোন আশা,
কাৰ বাবে অধৰত ফুটে এই মধু-ভাষা ?
কাৰ বাবে ই হাঁহিটি কাৰ বাবে বাঁহী বাজে,
হৃদয়ত কাৰবাবে ছবিটিৰ ঠাই ৰাজে ?
সুবিশিষ্ট এটি ছবি—যিটি ছবি আৰু নাই,
নেপাওঁ দ্বিতীয় এটি সংসাৰত পুনৰায়।
অগাধ প্ৰণয়-বাৰি হৃদয়ত সুবিমল,
তাত সেই ছবিটিয়ে ফুটি উঠে টলমল।
অকাৰণে অনুৰাগ মিলনৰ লই বায়ু
সি মিলন হেঁপাহত ক্ষণে ক্ষণে হৰে আয়ু।
সি মিলন হেঁপাহত প্ৰাণ-পুষ্প বিকশিত,
সি মিলন হেঁপাহত গোন্ধ তাৰ বিতৰিত।
সি মিলন হেঁপাহত পাহি তাৰ সৰে পাছে,
শেহত সম্বল তাৰ ধৰণীৰ ধূলি আছে।
তথাপিও জগতত ই প্ৰেৰণা প্ৰিয় হক,
ই ব্যাকুলতা মানৱৰ যুগে যুগে পূৰ্ণ হক।
নিয়তিৰ ই বিধান জয়ী হক জয়ী হক,
মঙ্গল ই মহানীতি জগতত স্থায়ী হক।

অবিৰাম বক বই সুবিপুল জীৱ-নই,
তৰঙ্গে-সলিলে নিতে শত শত প্ৰাণী লই।
জন্ম-জৰা-মৰণৰ ঢেউ উঠি মিলি যক,
অগাধ সলিল পুনু সলিলেই থাকি যক।
কোনোখিনি ভাপ হলে দুদিনৰ পলমত,
পুনৰ সলিল হক সি ৰূপৰ পতনত।
এইদৰে বক বই অবিৰাম অবিৰল,
বিশ্বৰ ই মহানদী সদা হই সচঞ্চল।
—আঁকিব খুজিছোঁ মই দুখীয়াৰ এটি পঁজা,
বলকি থাকোঁতে হেৰা হ'ল সি যে আধাসজা।
শুৱনি পঁজাটি সৰু আগঘৰ তাতে লগা,
সকলো নতুন কাম ক'তো একো নাই ভগা।
নতুন ইকৰা গুঁথি বইছে শুৱনি বেৰ,
যুৰি যুৰি কামি বান্ধি, চালত ৰাঙলী খেৰ।
দুখনি খিড়িকী আছে পছিম আকাশ চাই,
সন্ধিয়াৰ ৰঙা-ৰেখে দুয়োখনি চুই যায়।
দক্ষিণ মুখীয়া হই এখনি খিড়িকী আছে,
জোনাক-নিশাত তাতে জোনাকৰ মায়া নাচে।
এজুপি মালতী ফুল ঠিক সেই খিড়িকীতে,
শাওণমহীয়া তাৰ ফুল-পাত-পাহি তিতে।

পখি এটি তাতে পৰি সকৰুণ গীত গায়,
শাওণৰ সন্ধিয়াত সঙ্গী তাৰ কোনো নাই
পাছফালে চোতালত তুলসী এজুপি আছে,
সন্ধিয়া-তৰাৰ সতে চাকি এটি তাত নাচে।
গধূলি-গোপালফুল কাষে কাষে ফুলি থাকি,
তুলসীৰ সতে হেৰা থাকে তাতে কথা পাতি ;
বৰ সুখ তাত নাই, দুখো যেন নাই নাই
বিজনত অকলই সমীৰেহে গীত গায়।
মনে মনে আহে নামি সৰগৰ অপেস্বৰী,
বুৰায় চৌদিশ যেন সপোনৰ মায়া কৰি।

❊ ❊ ❊

আ—ন্ধা—ৰ নি—শা—ত মেলাই চুলি আকাশ ঢাকে,
জলমলীয়া মণি আভৰণে জেউতি বাকে।
পুৱতী-নিশাত মৰা জোনে আহি পোহৰ দিয়ে,
বতাহে হঠাতে কিহৰ সুবাস উৰাই নিয়ে।
সেই সময়ত নোৱাৰি বুজিব দিন নে ৰাতি,
বাঁহৰ পখিয়ে পাখি জোঁকাৰোতে উঠিব মাতি।
সেই সময়ত বিৰহৰ দুখে যাতনা দিয়ে,
মিলনৰ সুখে সংসাৰ-কামনা উটাই নিয়ে।
উদাস-বতাহ বই যায় ধীৰে কঁপাই দেহা,

মিছা ই মিলন, মিছা ই বিৰহ, মিছা ই বেহা।
সপোনৰ দৰে মিলন-সুখত সন্তোষ নাই,
কৰুণ-ৰাগিনী বিৰহ-দুখত সান্ত্বনা পায়।
চোৰ্ৰা বাৰু সউ অকলশৰীয়া ৰজনীবালা,
মিছাতেই ৰ'ল নিশা আকাশত সজাই মালা।
নিশাজ্বৰি সেই নিমাতী দেৱীটি অকলে ৰ'ল,
ৰাতি পুৱালত বিজন-বাটেদি অকলে গ'ল।

* * *

কত সন্ধ্যা, কত পুৱা এইদৰে আহে-যায়,
নিয়ৰত বোৱা চিন ততালিকে মোহ খায়।
শৰতকালিৰ সেই ডাৱৰৰ মধুমায়া,
কুৰলিতে লোপ পায় কুৱঁৰীৰ লঘু কায়া।
জোনাকত শুনি মাথোঁ নুপূৰৰ ৰুণুজুনু,
সমীৰতো সেই ধ্বনি ফুটি উঠে পুনু পুনু।
মাজনিশা চকুপানী টোপাটোপে সৰি পৰে,
নিদাৰুণ দুৰ্ব্বিৰহ কাৰ জানো সহি মৰে।
আশা নাই, ভাষা নাই, ক্লান্তি নাই, দুখ নাই,
একেৰাহে বিৰহৰ বীণাখনি বাই যায়।
জাৰকালি সমলিন জীৰ্ণ-শীৰ্ণ দেহা লই,
কটায় দীঘল-ৰাতি তপস্যাত মন থই।

উত্তৰৰ চেঁচা বায়ু বই যায় চুই শিৰ,
উদং প্ৰকৃতি সুদা কঁপি উঠে জিৰ্‌জিৰ।
ফুলহীন লতাজুপি লৰি উঠে মৰ্ম্মাহত,
সবেদন বিফলতা ফুটি উঠে বতাহত।
মৃতপ্ৰায় ই দেহত কি আশাৰ বাণী জাগে,
কণ্‌ কণ্‌ কুঁহিপাত গজি উঠে আগে আগে।
বসন্তৰ বতাহত জাগি উঠে প্ৰাণবায়ু,
প্ৰবলতা পূৰ হয় প্ৰকৃতিৰ ক্ষীণ আয়ু।
সুৰভি নিশ্বাস লাগি ফুলনিৰ বননিৰ,
জাগি উঠে চঞ্চলতা প্ৰকৃতিৰ ধৰণীৰ।
উদাসিনী প্ৰকৃতিৰ জাগে আশা সীমাহীন।
কুঞ্জে কুঞ্জে বাজি উঠে আনন্দৰ মহাবীণ।
সৃষ্টিৰ অনন্ত সুৰ আকাশে আকাশে ব্যাপে,
জগত সতেজ কৰে সূৰুযৰ চোকা তাপে।
সন্তপ্ত ধৰণী মৌন—বিৰহিনী তপস্বিনী,
আঁউসীত পুনু হয় মণিময় তমস্বিনী।
ধীৰে ধীৰে আকাশত হয় নৱ মেঘোদয়,
বিজুলী-বতাহ আৰু প্ৰলয়ত তমোময়।
অশান্ত সংহাৰমূৰ্ত্তি বিশ্বৰ বিদ্ৰোহ জাগে,
প্ৰলয়ৰ গৰ্জ্জনত ভূমি লৰে, তক ভাগে।

বাধাহীন শকতিৰ কি প্ৰচণ্ড মহালীলা,
অব্যক্ত দুৰ্জ্জেয়ৰূপে কি বেগেৰে বৰ্ষে শিলা!
অসহায় পখিটিক বাঁহে সতে উকৰাই,
নেজানো কি কাৰ্য্য সাধে প্ৰলয়ৰ দেৱতাই
পখিটিয়ে শিকা নাই বিপদত বুকু পতা,
কোমল বুকুত তাৰ আছে মাথোঁ কাতৰতা।
নিয়তিৰ চোকা শেলে জগতত এইদৰে,
হানে প্ৰতি জীৰ্ণ হিয়া নিমৰমে-অকাতৰে।
ইয়াৰেই দুখ দেখোঁ জগতত সকলোতে
ইয়াৰে বেদনা জাগে ই জনম সামৰোঁতে।
ইয়াৰে করুণ সুৰ সৃষ্টিৰ এচুকে বাজে,
গোপনে ই মহাদুখ বিশ্বৰ হিয়াত বাজে।
এই দুখৰেই হায় প্ৰকাশ ব্যঞ্জনাৰাশি,
অচিন্ত্যৰ অব্যক্তৰ কয় কথা দুখ নাশি।
এই দুখৰেই হায় ধ্বনি লাগি অনুদিন,
আকাশত বতাহত সকরুণ বাজে বীণ।
বিকাশ উন্মুখ হোৱা গোলাপৰ কলিটিতো,
এই দুখে দুখ দিয়ে, নাই সুখ পৰিমিতো।
উদাস বতাহ বয় অনুকম্পা দয়াহীন,
নিমিষ পিচতে তাৰ পাহি হয় ছিন্-ভিন্।

জীৱনৰ প্ৰকাশৰ সাৰ্থকতা ক'ত তেনে?
জগতৰ প্ৰত্যেকতে উপেক্ষাৰ সুৰ কেনে!
দিন যায়, কাল যায়, ঋতু যায়, বৰ্ষ যায়,
বাটৰুৱা মানৱৰ ই বাটত হৰ্ষ নাই।
বছৰ বাগৰি যায়—ই বছৰ, সি বছৰ
দুখভৰা জীৱনত সুখ ক'ত মানৱৰ?
সঙ্গীহীন দীৰ্ঘ-পথ সমুখত অবিৰাম,
চিৰন্তন মহাযাত্ৰা নাই তাত সুখধাম।
আদিহীন লক্ষ্যহীন অন্তহীন এই বাট,
সন্তোষ তৃপ্তিৰ হায়, নাই শান্তি, নাই মাত।
দুৰ্জ্জেয় ৰূপেৰে হেৰা নিয়তিয়ে নিয়ে টানি,
ঋতু ৰূপে নানা ভাৱে বৈচিত্ৰ্যতা আনি আনি।
মূল সুৰ ক'ত বাজে কি ৰহস্য, কি উদ্দেশ্য,
চঞ্চল ই জগতত মানৱৰ কি সৰ্ব্বস্ব?
পৃথিৱীৰ কি আশাত সূৰ্য্যক প্ৰদক্ষিণ?
নক্ষত্ৰৰ মহানৃত্য আকাশত ক্লান্তিহীন!
সৃষ্টিৰ স্ফুলিঙ্গ কোটি আকাশত জ্বলি উঠি
পুনৰ নুমাই যায় চেতনাৰ বহ্নি টুটি!
কি আশা, কি ভাষা, কি মহাগীতি গাই,
বিৰাট ই সৃষ্টিলীলা অক্লান্তিৰে চলি যায়!

কি ৰহস্য কোনে কব, শেষ লক্ষ্য ক'ত তাৰ,
বিশ্বপিতাৰ ই কি খেলা, নিয়মনে ই স্বেচ্ছাচাৰ ?
অসীম ৰহস্যপূৰ্ণ লীলাখেলা প্ৰকৃতিৰ,
তাৰ সতে জীৱনৰ কি সম্বন্ধ সুনিবিড় ।
এই যে পঁজাটি যাক সূৰুযৰ ৰেখে চুমে,
আবেলি ৰতাহে আহি চালবাৰ তাৰ জুমে ।
ই বিশ্বৰ সাম্ৰাজ্যত পঁজাটিৰো আছে ঠাই,
দুৰন্ত অনন্ত ইচ্ছা আছে তাতো যোগ খাই ।
ই বিশ্বৰ সঙ্গীতত তাৰো সুৰ বন্ধা আছে,
চঞ্চল চেতনাৰূপী—বিশ্বপ্ৰাণ তাতো নাচে ।
এখনি জগত লই সউযে পাঠ নিৰতা,
নিৰুপম গাভৰুটি নিমগন ধ্যানৰতা ।
নিৰজন পঁজাটিত অকলে সি গাভৰুটি,
বিশ্বৰ সৌন্দৰ্য্য যেন অঙ্গে অঙ্গে ৰয় ফুটি ।
পৃষ্ঠাই পৃষ্ঠাই যেন পঢ়ি যায় শত কথা,
সূক্ষ্ম-চিন্তা-তৰঙ্গত কঁপি উঠে তনুলতা ।
চিত্ৰাৰ্পিত প্ৰায় এই পঁজাটিত মনোৰম,
অনিন্দ্যৰূপিণী শোভে চাৰু-শিল্প-চিত্ৰসম ।
আবেলিৰ ৰঙাৰদে বেৰি লই দেহ লতা,
আগ্ৰহ-সমস্ত হই কৰে যেন সেৱকতা ।

চন্দ্ৰসম শোভে মুখ, বিপৰ্য্যস্ত মুক্ত চুলি,
লতাকুঞ্জ আঁৰ হোৱা সৌন্দৰ্য্য তৰঙ্গ তুলি।
পঁজাটিৰ দুয়োকাষে ওখ গছে শাৰী পাতে,
জোৰপতা বিহঙ্গমে ঠেও ধৰি তাতে মাতে।
তেজ যেন ৰঙচুৱা মদাৰৰ ফুলে ফুল,
গাভৰুৰ ওঁঠ-নখ সি ফুলৰে হব তুল।
ভৰিৰ বৰণো হব ঠিক তেনে ৰঙচুৱা,
গাখাৰত যেন এটি ৰঙা বোল সেন্দুৰীয়া।
ৰঙা পদুমৰ দৰে দুয়ো হাত নিৰুপম,
আঁঠুত এখনি পুথি লয় মেলি মনোৰম।
সোঁহাতেৰে ঢাকি ধৰি বাওঁহাত তলকৰি,
মহা নিমগন্ হই পুথিখান যায় পঢ়ি।
কত ভাষা, কত ভাব, কত ৰূপে আহে যায়,
ছবি একোটিৰ দৰে ক্ৰমাগত মোহ খাই।
আগ্ৰহৰ ঢউ এটি দুচকুৰে যায় খেলি,
ঈষৎ তৰঙ্গ ৰূপে ভ্ৰুযুগল নিয়ে ঠেলি।
আশাৰ পোহৰ এটি কপালত ৰয় ফুটি,
এটি হৰ্ষ এটি দীপ্তি মাৰ যায় ক্ষণে উঠি।
মহিমাৰ ছবি এটি মুখ মণ্ডলত ৰাজে,
ক্ষন্তেকতে নিশ্বাসত ক্লান্তিৰ ৰাগিনী বাজে।

ক্ষণে ক্ষণে কিহবাৰ চাঞ্চল্য প্ৰাণত জাগে,
স্পন্দন বিয়াপি পৰে বসনৰ আগে আগে।
অনুপম তৰঙ্গিত লাৱন্যৰ ৰেখা এটি,
জুৰি সি কিশোৰ-তনু লাৱন্যতা ৰয় ভেটি।
সুবলিত ভুজবল্লী-গ্ৰীবাবক্ষ অতুলন,
আকৰ্ণ বিশ্ৰান্ত চাৰু নীলপদ্ম দুনয়ন।
নেত্ৰ অৰ্দ্ধ নিমীলিত দৃষ্টি যেন কেন্দ্ৰীভূত,
অপূৰ্ব্ব একাগ্ৰ শক্তি শৰীৰত আবিৰ্ভূত।
—হঠাতে যুবক এটি দুৱাৰত হ'ল থিয়,
ক্ষীণাঙ্গ তৰুণ ডেকা দৰশন অতি প্ৰিয়।
হাঁহিৰে উজ্জ্বল মুখ সাজ-পাৰ পৰিপাটি,
দেহা দীৰ্ঘ অৱয়ৱ সুনিপুণ ভঙ্গীমাটি।
পাৰল সি দীৰ্ঘ ছঁয়া গাভৰুৰ সমুখত,
ধ্যানাস্তত তপস্বিনী হ'ল যেন মৰ্ম্মাহত।
শঙ্কাশূন্য চাৱনিৰে বাধাহীন ভঙ্গী-লই,
অভিবাদনিলে ধীৰে কপালত হাত থই।
বহাৰ আসন দিলে ধীৰে ধীৰে সসম্ভ্ৰমে,
সামৰিলে পুথিখনি ধীৰে ধীৰে সুনিয়মে।
বিমুগ্ধ ডেকাৰ চিত্ত হ'ল মহা আন্দোলিত,
তৰল ৰূপৰ বহ্নি হোৱা দেখি তৰঙ্গিত।

প্রত্যাভিবাদনৰ কথা পাহৰিলে সমূলিযে
আসন গ্ৰহণ কৰি ভাবে তাক নিজে নিজে।
অভদ্ৰতা হ'ল মোৰ অভ্যৰ্থনা হেলা কৰি.
এতিয়া কিৰূপে মই সেই ত্ৰুটী নিওঁ হৰি।
কমনে পাঠত মই জন্মালোঁহি বিয়াঘাত,
অসময়ত আহি. তাৰ বাবে যেন ক্ষমা—
শুধিলে গাভৰুটিয়ে নীৰৱতাভঙ্গ কৰি,
কোৰঁৰেনো কি মনেৰে ভৰি দিলে ই পঁজাত ?
অভ্যৰ্থনা শত-ত্ৰুটী মোৰ যেন কৰে ক্ষমা।
আছেনে সকলো ভালে ৰাজপুৰী শোভা কৰি ?
কুশলনে ৰাণী-আইৰ লৰাছোৱালীৰ সতে ?
ডেকাই বিকৃত হাঁহি উত্তৰিলে কোনোমতে,
মূৰ ডুপিয়াই আৰু চমু চমু স্বীকাৰেৰে।
জনালে সবাৰে ভাল—তাকো মাথো আভাসেৰে,
তথাপি ডেকাই চিত্ত কাৰ্ব সুস্থ নিয়মিত,
পূৰ্ব্বৰ শৈশৱ-স্মৃতি কৰি ললে সঞ্জীৱিত,
গাভৰুৰ ওছৰৰ মেঘদূত লক্ষ্য কৰি,
শুধিলে ডেকাই শেষ কৰিলেনে তাক পঢ়ি।
ময়ো ভালপাওঁ পঢ়ি যক্ষৰ উচ্ছ্বাস,
প্ৰণয়িনী-বিৰহত বেদনাৰ সুপ্ৰকাশ,

আদিম-বিৰহ এয়ে জগতৰ মানৱৰ,
নোহে অকলই সেই কুবেৰৰ কিঙ্কৰৰ।
যুবাৰ ৰসনা ক্ৰমে হ'ল ধীৰে সঞ্জীৱিত
গাভৰুৰ প্ৰতি চাই কই যায় সুললিত,
মধুৰ ভঙ্গিমা-ভাষ; মুখত জেউতি লই
(চকুত আগ্ৰহ-দৃষ্টি পূৰ্ণৰূপে আছে বই)।
কষ্ট যায় কত কথা বৰ্ণাই বিৰহ দুখ
বিৰহ বিহীন হলে প্ৰণয়ত কি সুখ।
কি প্ৰচণ্ড তাপ আছে মানৱৰ জীৱনত,
হৃদয়ৰ বাঞ্ছাফেৰি হয় যদি প্ৰতিহত।
হৃদয়ে হৃদয়ে আছে কি নিগূঢ় পুষ্পজৰী,
নিখিল ব্ৰহ্মাণ্ড বেৰা মিলনৰ অনুসৰি।
ছিগি গলে সেই জৰী ঘটে কিনো বিপৰ্য্যয়,
কি মহা অনলত সি হৃদয় হয় লয়।
যুবকৰ বাক্যাৱলী-ক্ৰমে সুবিন্যস্ত গুচি,
থোকা-থুকি গদ্‌গদ্ হ'ল ধীৰে লাজ মুছি।
শুনা প্ৰাণাধিকা মোৰ (ক্ষমা কৰা সম্বোধন),
শৈশৱৰ পৰা মোৰ আছিল যি মহাধন।
সপোনে-সচেতে মোৰ যি আনন্দ যি বেদনা,
যি বস্তু আছিল মোৰ ধ্যান-কাম্য, আৰাধনা

ৰণত, বনত কিম্বা স্বদেশত—প্ৰবাসত,
যি বস্তু আছিল মোৰ হৃদয়ৰ হৃদয়ত,
সি অমূল্য-নিধিৰূপে তুমি হেৰা মূৰ্ত্তিমান,
প্ৰত্যক্ষত জাগ্ৰতত তুমি মোৰ মহাজ্ঞান।
পৰেনে মনত আজি শৈশৱৰ শত কথা,
পৰেনে মনত সেই ভালপোৱা দুখ ব্যথা?
ফুলনি-বাগিছা সেই কাৰেঙৰ কাষে কাষে
ফল-ফুল-কলি তাৰ কোনে আহি সদা নাশে?
সৰোবৰ সম সেই সমুখৰ পুখুৰীত,
হাঁহযুৰি দেখি কোনে হইছিল হৰষিত।
বিমুগ্ধ অন্তৰ মোৰ হায় নাচি উঠিছিল,
কল্পনাই কি সুন্দৰ ভৱিষ্যৎ ৰচিছিল।
বকুল তলৰ সেই আসনত বহি বহি,
ভাবোঁতে অসংখ্য ফুল পৰিছিল খহি খহি।
মঞ্জুভাষা লই তুমি কইছিলা হাঁহি হাঁহি,
সৰিছে শিৰত ফুল বোৱা তুমি বোৱা বাঁহী
তোমাৰ আদেশ মানি সৰল অন্তৰ লই,
গাইছিলোঁ কত কথা বাঁহীটিত মুখ থই।
কিন্তু হায় সেই সুৰ প্ৰতিধ্বনি সমে আজি,
শূন্যত বিলীন হ'ল অন্তৰ ক্ষণিক ৰাজি!

বতাহতো নাই আৰু সি লহৰি কম্পনতা,
মোছ খালে জগতত সেই সুৰ সেই কথা।
ক্রমে ক্রমে জীৱনত বাঢ়ি গল ব্যৱধান,
ক্রমে দেখাদেখি হ'ল সুবিৰল সসন্মান।
অন্তৰঙ্গ মিলাপ্রীতি শৈশৱৰ কৈশোৰৰ,
নৱল অলপো আৰু হ'ল মহা ভিন্-পৰ।
সংসাৰৰ কুটিলতা ৰাক্ষসীৰ দৰে আহি,
তৰিলে বিচ্ছেদ-পট, ফুল মোৰ হল বাহি।
নীৰৱে শুকাই গল নিৰাশাত জহি-পমি।
ভাবিলোঁ সুস্থিৰ হওঁ দেশ-দেশান্তৰ ভ্রমি।
ই আশা বুকুত লই এদিন গধূলি-বেলা,
চাপিলোঁ তোমাৰ কাষ চাওঁ বুলি শেষ খেলা।
মাগিলোঁ বিদায় মই বিষাদ-সন্তাপ লই,
তৰল অনল মোৰ দুচকুৰে গল বই।
নকৰিলা মন তুমি নাচালা দাঙিও মূৰ,
নিদাৰুণ বেদনাত হিয়া মোৰ হ'ল চূৰ।
নীৰৱে নিশ্বাস কাঢ়ি ধীৰে ধীৰে সন্তর্পণে,
আহিলোঁ মেলানি মাগি নিৰালয়ে নিৰজনে।
ভ্রমিলোঁ বহুত দেশ—বহু দেশ-দেশান্তৰ
কত পৰমাদ গল কত গল অথন্তৰ।

বহু জনপদ চালোঁ সাগৰ সৰিৎমালা,
পাৰ্ব্বতী জুৰিক মোৰ জনালোঁ অন্তৰ জ্বালা।
বনৰ বিহগ-পশু সমে হ'ল দেখা-শুনা,
বিচ্ছেদ বিৰহ মোৰ অন্তৰত নাই গুণা।
এদিন ওলালোঁ গই হিমাদ্রিৰ পাদদেশ,
দেবদাৰু বনে বেৰা কঠিন বন্ধুৰ দেশ!
আৰোহি শিখৰ এটি নামি দেখোঁ আচম্বিতে,
সুবিশাল এটি হ্ৰদ—দেখা পালোঁ দূৰণিতে!
পদ্মৰ সুগন্ধি ধূলা উৰি যায় দশোদিশে,
পৱনত পাওঁ গোন্ধ বয় বায়ু অহনিশে।
কলহংস স্বৰ শুনি বুজিলোঁ মৃণালসেৱী,
আছে তাত দলে দলে ধিয়াই ভাৰতী দেৱী।
পালোঁহি সি সৰোবৰ খোজে খোজে খোজ তুলি,
অযুত পদুম তাত কতৰূপে ৰয় ফুলি।
সুশীতল পানী ভৰা পদুমনি সৰোবৰ,
উদাস প্ৰকৃতি নগ্ন পৰ্ব্বতীয়া ভয়ঙ্কৰ।
ৰাজহাঁহে ছানি থকা সৰোবৰ সমীপত,
বহিলোঁ বিশ্ৰান্ত হই ভ্ৰমণৰ ভাগৰত।
ময়ূৰৰ কেকাৰৱে তুলিছিল প্ৰতিধ্বনি,
ঘনে ঘনে সি ধ্বনিত কঁপিছিল সি বননি।

ৰ'দত আকুল হৈ পিলোঁ সৰোবৰ পানী,
আঁজলিৰে আঁজলিৰে পৰম সম্পদ মানি।
গগনত শ্ৰান্ত ৰবি ক্ৰমে ঢলি ঢলি পৰি,
শিখৰত আঁৰ হ'ল ক্ৰমে ক্ৰমে ৰঙা পৰি।
তাৰ পিছে সন্ধিয়াত কি গম্ভীৰ মহাশোভা,
গুৰুনাদী ধ্বনিময় যোগীজন ধ্যান-লোভা।
সেই সঙ্কটত হেৰা শুনা মোৰ প্ৰাণপ্ৰিয়া,
লভিলোঁ অদ্ভুতৰূপে এখনি আশ্ৰয় হিয়া।
সন্ন্যাসীৰ আশ্ৰমত ৰঙেৰে কটাই কাল,
আছিলোঁ কতনা দিন প্ৰকৃতিক পাই ভাল।
তোমাৰ বিচ্ছেদ-বাণে মাজে মাজে থাকি থাকি,
ভেদিছিল বুকু মোৰ মধুময় বিহ বাকি।
আশ্ৰমৰ একাষত শূন্য মন্দিৰ মোৰ,
বিচ্ছেদ অগ্নিত জ্বলি তুলিছিল হাহা ঘোৰ!
শূন্য মন্দিৰ মোৰ এই পূৰ্ণ পৃথিবীত,
দুৰন্ত বিচ্ছেদে মোক দহিছিল প্ৰতিনিত।
আজিও সি বিৰহৰ নাই পৰা হেৰা ওৰ,
দৰ্শনত তৃপ্ত আজি যদিও হৃদয় মোৰ।
তোমাৰ চৰণ দুটি কেন্দ্ৰ কৰি হেৰা চোৰা,
গুঞ্জৰে হৃদয় মোৰ—পাৰ দুটি তাত থোৰা।

কত যুগ কত দিন বিৰহ-ব্যথিত হই—
(দুগালে দুধাৰ লো৷ যুৱকৰ গল বই)।
উন্মাদৰ দৰে যুৱা হল থিয় আচম্বিতে
বাজলৈ দৃষ্টি কৰি চকু থই খিড়িকীতে,
বুকুত সাৰটি হাত সঘনে নিশ্বাস কাঢ়ি
ৰজনী-ছবিটি চালে আন্ধাৰত অহা বাঢ়ি।
এছটা ডাৱৰে ক্রমে ঢাকিছে আকাশখনি
কৃষ্ণপক্ষ ৰজনীৰ জ্বলিছে পোহৰ-মণি।
পছিমত দীপ্যমান শুক তৰাটিৰ ৰেগে,
চুমিলে যুৱাৰ চকু· চুম্বনত কি লেখে।
—লেখে যেন চুমা এটি সকৰুণ ধ্বনিময়,
যি চুমাত নিশাদেৱী আকাশত মণিময়।
যি চুমাৰ আকাঙ্ক্ষাত স্থাৱৰ-জঙ্গম-বিশ্ব,
সুকোমল প্ৰাণবাণ এটি সুমহান দৃশ্য।
অতুল ৰহস্যময়—সেই যেন এটি চুমা,
মহিমাৰে মিলে যত ধূলিকণা মহাভূমা।
সান্ত্বনা আশ্বাস যেন কোটি কোটি যুগলই,
প্ৰতি পদাৰ্থতে যেন পৰিছেহি ৰই ৰই।
যুৱকক মুগ্ধ কৰি স্নিগ্ধ শুক তৰাটিয়ে,
নয়ন দুটিত যেন শান্তিৰেখা আঁকি দিয়ে।

বহুতো যোজন দূৰ তথাপিও যেন হেৰা,
অতি প্ৰিয় বন্ধুযেন কোনোকালে লগ নেৰা।
হঠাতে ডাৱৰছটা সুগম্ভীৰৰূপে আহি,
ঢাকিলে তৰাটি তাৰ মুছি নিলে মধু হাঁহি।
গগনত ঘন ঘোৰ—ৰজনী তিমিৰ ঘোৰা
যুবাই ঘূৰায় মুখ নত কৰি চকু যোৰা।
শুক তৰাটিৰ দৰে মুখ-পদ্মখনি কাৰ,
আনত্ৰ আনত যেন স্থলপদ্ম অলকাৰ।
হাতটিত মূৰ ৰাখি চূৰ্ণিত কুন্তলময়,
সুন্দৰ গাম্ভীৰ্য্য ৰূপ সদৰ্পেৰে কৰে জয়।
হঠাতে যুৱক আহি চাপি কায় মন মাৰি,
যুক্ত কৰি হাত দুটি ধৰণীত জানু পাৰি,
এধাৰি ফুলৰ মালা—শুকান সন্তাপময়
অৰপি সকলো তাতে ৰাখি চিন্তা ৰাখি ভয়।
সমৰ্পিলে গাভৰুৰ কোকনদ দুপাৰত,
লগে লগে দুটি মুক্তা সৰিলে সি প্ৰদানত।
—ঠিক এনে সময়তে তৰুণ মূৰতি এটি,
বিস্মিত স্তম্ভিত হৈ দ্বাৰপথ ৰল ভেটি।
খন্তেক পিছতে পুনু উন্মত্তৰ বেশ ধৰি,
খোজ ললে বাহিৰৰ অন্ধকাৰ ভেদ কৰি।

উপেক্ষা।

মানুহ তোমার নাম জগতত আছে কাম,
আছে বহু ৰীতি-নীতি মানি চলিবৰ,
আছে ভালপোৱা সুখ, আছে শোক মহাদুখ
বিপদ-সম্পদ আছে প্ৰিয়, ভয়ঙ্কৰ।
দুদিন বাসতো হেৰা সুখে-দুখে আছে বেৰা,
জনম-মৰণ সতে আৰু কত কিযে,
সংসাৰ চাঞ্চল্যময় নানা ভ্ৰান্তি, নানা ভয়,
কোনে কব পাৰে তাত কাৰ আশা সিজে?
এই ধৰণীত যদি কুটিল-প্ৰবাহী-নদী
বই যায় চিৰদিন নাই স্থিৰ গতি,
মানব-জীৱন-ভেলা যক তেনে কৰি খেলা
উন্মত্তৰ দৰে উটি কিয় স্থিৰ মতি?
ঊষাৰ সপোন দৰে প্ৰেমে হেনো ৰূপ ধৰে,
মধ্যাহ্নত তাৰ জ্যোতি সুতপ্ত প্ৰখৰ,
আবেলি-সন্ধিয়া তাৰ জ্যোতি হয় অন্ধকাৰ,
ৰজনীৰ বিৰহত লুপ্ত অগোচৰ।
হায় ধিক্ প্ৰতাৰণা জীৱনৰ কি ছলনা
জগতৰ কিয় এনে ৰীতি নিকৰুণ,

আজি যাক আদৰিলা, কালি তাক নেওচিলা
হায় ইকি প্ৰকৃতিৰ ৰীতি নিদাৰুণ!
অশান্ত তপস্বী ডেকা আজি তুমি পোৱা সেকা,
কাৰ চৰণত পৰি জনোৱা বন্দনা?
তোমাৰ কুঙ্কুম সনা প্ৰীতি-অৰ্ঘ্য নাই মনা,
বিফল তোমাৰ স্তুতি বৃথা অৰচনা।
হতভম্ব হই আজি দেখিলা যি ছুঁয়াবাজী
প্ৰতিদান এয়ে নেকি সেই প্ৰণয়ৰ?
সমুদ্ৰ-তৰঙ্গমালা তপন কিৰণ জ্বালা
পৰেনে মনত আজি সেই সময়ৰ?
কাৰ প্ৰতি তনু-অঙ্গ লাৱণ্যত হই ভঙ্গ
গলিত সোণৰ দৰে বই পৰিছিল,
কাৰ দুটি কৰে আহি—যেন পদুমৰ পাহি
ললিত চঞ্চলৰূপে পাৱ পৰশিছিল!
তপনৰ তেজ হৰি সমুদ্ৰক সাক্ষী কৰি,
কোনে নিজ দেহা-মন উছৰ্গি দিছিল?
কাৰ দুটি নীৰ-বিন্দু সমপ্ৰভা কোটি ইন্দু,
তোমাৰ পাৱত পৰি মিলি গইছিল।
বিকট সপোন সম ইকি আজি মহাভ্ৰম,
নিদাৰুণ দৃশ্য আজি কিবা বিপৰীত!

হে তাপস, শান্ত হোৱা সুনীল আকাশ চোৱাঁ
ঘনঘোৰ নাই আজি ইকি আচৰিত !
তোমাৰ মনত ডেকা আছে যদি কিবা চেকা
মুছি তাক নিৰমল কৰা হেৰা কৰা,
জীৱন সপোন সম, তাত হেৰা কিয় ভ্ৰম
দুঃসহ দুশ্চিন্তা কৰি কিয় হেৰা মৰা ?
এয়ে নেকি ভালপোৱা যাৰে তুমি দেখা হোৱা
তাৰে দুটি চৰণত উছৰ্গিবা দেহা ?
পাহৰি জগত-বিশ্ব হই তুমি চিৰনিঃস্ব
জীৱনৰ লবা সেয়ে এটি মাথোঁ বেহা ?
পাপ-পুণ্য তেনে কিয় আছে সদা হই থিয়
প্ৰবৃত্তি-নিবৃত্তি আছে দুৰ্দ্দম মনৰ,
জগতৰ চকৰিত বন্ধা ৰীতি প্ৰতিনিত
ঘূৰিছে নিৰ্ম্মমৰূপে নাই লৰচৰ।
ইযে সুদৰ্শন চক্ৰ যত পৰি পাপ-নক্ৰ
খণ্ড খণ্ড হয় সদা নাই পৰিত্ৰাণ।
—তেনে এই জগতত কৰি পাপ অবিৰত
পুণ্যৰ বিনাশ কৰি নাই অভ্যুত্থান।
হৃদয় সন্তুষ্ট কৰা নিবৃত্তিৰ পথ ধৰা
অন্তৰত লোৱাঁ আঁকি এটি মাথোঁ ছবি,

PLEASE HANDLE THE BOOK CAREFULLY.

লোৰা সেই পথ-ভূমি যি পথ ধৰিলা তুমি
গই থাকা গতিশীল যেন দীপ্ত ৰবি।
নেচাবা উলটি হেৰা, কাঁইটেৰে দেশ বেৰা
বাঞ্ছিতজনৰ দেখা নোপোৱা ইয়াত।
যাক তুমি প্ৰিয় বুলি ধৰণীৰ ধূলি তুলি
অপিলা শিৰত বুলি চৰণ-প্ৰসাদ,
সেইজনা প্ৰিয়তমা তোমালই অহিসমা
কৰিব দংশন মাথোঁ পালে কেতিয়াবা।
বিষময় মহাজ্বালা প্ৰণয়ৰ হব মালা
নিষ্ঠুৰ নিশ্বাস লভি প্ৰাণ তিয়াগিবা।
হেৰা হেৰা ডেকা ভাই সি সুখত কাম নাই,
আহাঁ আমি যাওঁগই লক্ষ্যি বহুদূৰ।
মৰীচিকা নাই যত সংসাৰৰ বিদূৰত
আছে য'ত শান্তি-শিখা দুৰ্লভ্য প্ৰচুৰ।
তাৰ ওচৰত বহি দুখ-তাপ নিবা দহি,
হিয়াত জ্বলাই এটি দিব্যজ্ঞান-জ্যোতি।
অধৰ্ম্মৰ আবাহন প্ৰবৃত্তিৰ নিবেদন
দূৰ দূৰ কৰি হেৰা লভিবা মুকুতি।
ভালপোৱা যাক বোলা ইতিহাস তাৰ খোলা,
মহাকাল সাক্ষী যাৰ অজৰ-অমৰ!

সুসংযুক্ত দুটি হাত যাক দেখি হবে মাত
শ্রদ্ধা-অৱনত হয় মূৰ জগতৰ।
মিলি যায় দুটি হিয়া যাক দেখি পূজা দিয়া
ভাবা বুলি যাক শ্ৰেয় প্ৰেয় জীৱনৰ।
সেই দুটি ফুল হায় কালে বাকী নৰখায়,
অনিন্দ্যসুন্দৰ হুই নেথাকে যৌৱন,
কালে চকু মুদি থাকি হলাহল দিয়ে বাকি
অন্ত পৰে অনবদ্য সৌন্দৰ্য্য বন্দন।
মৰণৰ অন্ধকাৰে তাৰে পিছে খেদা মাৰে
ক'লাখনীয়াৰে ঢাকি প্ৰণয়ীৰ দেহা,
নিশ্বাস ঢুকাই গলে দুটি চকু ঢলি পৰে
অন্ত পৰে বসন্তৰ সম্মোহনী বেহা।
তাৰপিছে হে নিসঙ্গী, লবা এবে কিনো ভঙ্গী
কিহক আশ্ৰয় কৰি তৰিবা সংসাৰ?
হেৰোৱা প্ৰণয়েশ্বৰী কিদৰে লভিবা তৰি
সুদুস্তৰ নিস্তৰঙ্গ অন্ধ পাৰাবাৰ?
বিফল বাসনা হায় অন্তকক দেখা নাই
কিৰূপে জানিম আমি পুৰী সিজনৰ?
আমি মৰ্ত্ত্যজন মাথোঁ মৰতৰ ফুল গাঁথো
বাহি হলে মৰহিলে কৰোঁ অনাদৰ।

সেইদেখি এৰি দিয়া ওলোটাই আনা হিয়া
ইকি ! কিয় চকুপানী পৰে দৰ্ দৰ্ ?
উপেক্ষিত হ'লা তুমি তিয়াগিলা সেই ভূমি
আজি কিয় তথাপিও দুৰ্ব্বল অন্তৰ ?
—উন্মত্ত সন্ন্যাসী হায়, অবাটেদি কিয় যায়,
বিহ্বল বিবশ দেহা কম্পিত অস্থিৰ।
ইকি মাৰাত্মক কথা ! লভিছে অন্তৰ-ব্যথা
অবিৰল দুচকুৰে বই যায় নীৰ !
নৰৰ দেৱত্বখিনি ৰক্ষা কৰি মায়া জিনি
নোৱাৰিলা হে সন্ন্যাসী হব নিৰ্ব্বিকাৰ ?
প্ৰবৃত্তি তোমাৰ বাট সংসাৰৰ মায়ানাট
দেখিও নেদেখা হ'লা কি মন্ত্ৰ দুৰ্ব্বাৰ !
প্ৰণয়ৰ ছদ্মবেশ আছে য'ত মহাক্লেশ
আত্মাৰ অকীৰ্ত্তি আছে যত নিদাৰুণ.
আছে দুখ-ভয়-ভ্ৰান্তি ক্লেদ, পঙ্ক, গ্লানি, ক্লান্তি
কিয় তাক সাৰ মানা সন্ন্যাসী তৰুণ ?
অবাটে যুবক গল অকলই অবিৰল
নেচালে উভতি আৰু নুশুনিলে একো ;
সন্তপ্ত অন্তৰ লই গল মৌন-মৃত হই
নেজানো আগলৈ আৰু কি ঘটনা দেখোঁ !

তমোময় চোকা-ৰদে যদি ই ধৰণী ভেদে
ডিঙিটি শুকাই যায় বাটৰুৱাটিৰ।
তথাপিও ই ধৰাই সি পিয়াহ নুগুচায়
ধাৰেৰেও বয় যদি গৰুৰ গাখীৰ।
দুখৰ সঙ্গীত গাই দুখৰ কবিটি যায়
গছ-পাত ফল-ফুলে কয় নানা কথা।
তথাপি হৃদয়ে তাৰ কৰি উঠে হাহাকাৰ
গছ-লতা, পাত-ফুলে নুবুজেতো বেথা।
হিয়াত বেদনা-শোক অন্তৰত আছে ভোক
চকুৰে ছবিটি আঁকে মধু-কল্পনাৰে,
সত্য-সুধা ভ্ৰম কৰি জীৱনৰ আয়ু হৰি
মুমূৰ্ষু বুভুক্ষু কৱি ফুৰে আঁৰে আঁৰে।
হায় কৱি! হায় হায়, সপোনযে ভাগি যায়
কল্পনা-কাননখনি দহে দাৱানলে
আকাশেৰে কৰি খেলা চলোৱা জীৱন-ভেলা
বহুৰূপী সি আকাশে কতৰূপে ছলে।

প্ৰবচন ।

এই ধৰণীত নিৰলে নিজনে কিহৰ সুখত বকিছোঁ হায়,
জীৱনৰ চাকি নুমালে এবাৰ সকলোটি কথা ঢুকাই যায় ।
'বেদনা-নিবিড় এই ধৰণীত আৰু মোৰ আছে কিহৰ আশা,
দুখ-অগনিৰ মাজত পৰিনো কিহৰ কাৰণে জুৰিছোঁ ভাষা ?
কাঁইটীয়া সউ গোলাপজুপিত তেজবৰণীয়া ফুলিছে ফুল,
বাসনা সুৰভি ঢালিছে ধৰাত বুকুত নিয়ৰে খেলিছে ডুল্ ।
এই জগততো সেইদৰে হায় কতজনে আহি পাতিছে মেলা,
বেদনাত পৰি জুৰিছে সঙ্গীত খেলিছে প্ৰাণৰ করুণ খেলা ।
সুখৰ পুৱাত সূৰুযৰ ৰেখে চুমি যায় ধীৰে ফুলৰ দেহা,
সন্ধিয়াত বাজে মৰণৰ বাঁহী শেষ হয় তাৰ জীৱন-বেহা ।
—এই চিৰন্তন বাটটিৰে কথা কতজনে হেৰা ৰঙেৰে কয়,
কতজনে দেখি আন্ধাৰ ভীষণ নিৰাশা ছবিটি সাদৰি লয় ।
কিন্তু দুয়োৰেই একেগতি সেই একে বাটেদিয়ে লাগিব যাব,
নিৰ্দ্দয় কালৰ নিঠুৰ সোঁতত নুটি বাৰু ৰক্ষা কিদৰে পাব ?
একে সুৰ সেই একে ৰাগিনীকে কতজনে হেৰা বজাই যায়,
সেই একেকথা সেই একেমাত ৰেছি আৰু তাত একো যে নাই ।

নিবিড় দুখত ফুলে সেই ফুল গায়কৰ তেজ সামৰি লই,
তাৰ সুবাসত নাই একো গোন্ধ বই যায় মাথোঁ তেজৰ নই।
শেঁতা চকু-মুখ শেঁতা চাহনিৰে নীলাকাশখনি সাদৰি চাই,
কল্পনা-কাজল চকুত বোলাই গায়কে দুখৰ গীতটি গায়।
নীল আকাশত খেলে কত ঢউ, ফুলে কত ফুল ধৰণী জুৰি,
কত বিশৃঙ্খল সুৰৰ ৰাগিনী ফুৰিছে বায়ুত আপুনি উৰি।
কোনোবা জনত ধৰা পৰে সুৰ কান্দে তেওঁ বহি নিজম হই,
তেওঁৰ বাহিৰে জগতত কোনো নাই দুৰ্ভগীয়া মানব অ'ই!
এই ধৰাখনি যেনে আছে তেনে দেখে সকলোৱে সহজ ভাৱে,
তেওঁ কিন্তু দেখে দুখন জগত তাৰে এখনক আপোন ভাৱে।
সপোনেৰে ভৰা যিখন জগত তাতে বহি তেওঁ চকুলো টোকে,
ইখন জগত কৰে অস্বাকাৰ সাদৰে যিখন সংসাৰী লোকে।
আকাশ-পটত কোনে কথা লেখে তাকে ভাবি দিন কটাই তেওঁ,
সংসাৰৰ মায়া-মৰীচিকাৰাশি এবাৰো উলটি নেচাই এওঁ।
কোনোবা জনৰ সোণৰ সপোন খোজে ফলিয়াব কাৰোবা ফলে,
কাৰাবাক সুখ দিয়ে বিধতাই কাকোবা নিঠুৰ ফাঁকিৰে ছলে।
জগতখনিক ভঙা-গঢ়া কৰে এখনি নিঠুৰ অদৃশ্য হাতে,
ঐশ্বৰ্য্য ভৰাই দিয়ে কাৰাবাক দেহা কাৰাবাৰ ধূলিৰে ছাতে।
তথাপি দুয়োটি যায় একেলগে যায় একেবাটে উদং হই,
দুয়োটিৰে বাঁহী শেষ সময়ত যায় একেদৰে নীৰৱ হই।

এজনৰ যদি নশ্বৰ দেহাটি ঢাকে স্মৃতি-সৌধ সোণৰ পাটে,
ইজনৰো সেই মাটিৰ শৰীৰ সেউজীয়া ঘাঁহ-লতাই ছাটে।
কাৰাবাৰ যদি মধু-হাঁহিটিত সৰগৰ সুধা আছিল বই,
কাৰাবাৰ যদি বুকুৰ মাজত ক'লা ভেজটুপি আছিল ৰই,
দুয়ো বাটৰুৱা একেই বাটৰ একে দেশতেই ওলাব গই
কালৰ নির্ম্মম কৰ-আঘাতত মৰণৰ আঁৰকাপোৰ লই।
একো চিন আৰু নেথাকে ধৰাত হয় সকলোটি সমূলি ওৰ
তেতিয়াতো আৰু নুফুটে কথাটি 'এইটি তোমাৰ' 'এইটি মোৰ'।
প্ৰিয়জনে মাথোঁ সুঁৱৰি এবাৰ এদিন এবেলা কৰিব দুখ,
অনুভৱ যদি কৰে কেতিয়াবা ভাল বুলি ভাবি স্মৃতিৰ সুখ।
এয়ে শেষ আৰু ইয়াৰ অধিক ভুলেচুকে আৰু নেপাওঁ আমি,
মৰণ আন্ধাৰ পাৰ হই আমি পামগৈ জানো জীৱন স্বামী!
তথাপিতো ভাবো ধোঁৱাৰ মাজত মৃত্যুহীন যিটি জ্বলিছে শিখা
জীৱনৰ শত প্ৰমাদ মাজতো তাৰ মহা আভা থাকিব লিখা।
অনন্ত কালৰ প্ৰবাহ মাজতো তাৰ যুগমীয়া চিনাকি পাওঁ,
সীমাৰ মাজতে অসীমৰ লীলা প্ৰাণ ভৰি হেৰা প্ৰকাশ চাওঁ।
এই সুৰ যদি বন্ধা থাকে সদা জীৱন-তাঁৰত মধুৰ ভাৱে,
শান্তিৰ বিমল কনক-কিৰণ আপুনি আনিব সৰগী বাৰে।
মৰত-ভূমিৰ নৰৰ মানত দেৱ-ভোগ্য এয়ে অমৃতকণা,
ই সুধা পানত লভিলে তৃপিতি বেছি একো হব নেলাগে জনা।

জ্ঞানী হৈয়ো যদি মনৰ মাজৰ নোৱাৰি কৰিব সন্দেহ দূৰ,
এই অমৃতৰ অকণি আস্বাদে আন্ধাৰৰ গৰ্ব্ব কৰিব চূৰ।
দুস্বপ্ন-আন্ধাৰ নহয় চৰম নোহে চিৰন্তন প্ৰভাৱ তাৰ,
আত্মাৰ পৰম প্ৰকাশত হেৰা চৰিতাৰ্থ এই নৰ দেহাৰ।
কঠোৰ নিৰাশা বিফল বাসনা নোহে চিৰসত্য আতমাদাহী,
সকলো বেদনা ভেদ কৰি হেৰা বাজিব এদিন সফল-বাঁহী।
আত্মা-সূৰুযৰ কিৰণ পৰিলে হৃদয়-পদুম উঠিব ফুলি,
সোণালী ৰঙেৰে কৰি আলোকিত উৰাব পোহৰে সুগন্ধি ধূলি
নিখিলৰে সতে পৰিচয় লভি নিবিড় ধ্যানত থাকিবা তুমি,
আপোন আত্মাত বিশ্বৰ প্ৰকাশ থিয়ানি তেজিবা মৰত-ভূমি।
অকাৰণ দুখ অতীতৰ চিন্তা এৰি আনন্দেৰে পূৰোৱা হিয়া,
বৰ্ত্তমানৰ মায়া উপচ্ছায়া অস্বীকাৰ কৰি নিষ্কৃতি দিয়া।
এই পৃথিৱীত জনম তোমাৰ হাঁহি হাঁহি হেৰা সামৰা তাক,
এতিয়াও চোৱা গৱাক্ষজনাই দিছে শুধ বায়ু পূৰাই নাক।
নাশ হবলই নিদিয়ে যে তেওঁ তুমিযে তেওঁৰ অতিকৈ প্ৰিয়,
বিফলতা আৰু বেদনাৰ তাপে মাথোন তোমাক কৰিছে শিৱ।
যি সকলৰ এই ধৰণীত মোৰ দৰে হিয়া পৰিছে ভাগি,
কাৰুণ্য ভৰা ই বিশ্ব-সৃষ্টিত আনন্দৰ কণা নেপায় মাগি।
সেই সকলক মিনতিৰে মই কওঁ হাত যুৰি সম্ভ্ৰম কৰি,
আপোনাআপুনি শান্তিৰ সঙ্গীত বাজিব জীৱন মধুৰ কৰি।

নেজানো কোনেনো বাঁহীটি বজায় শতছিদ্র কৰি ই দেহ তনু
দুখনি কাণেই যথেষ্ট নহয় বাজিব যেতিয়া মোহন-বেণু।
অনন্ত জ্যোতিৰ পৰশত যদি মায়াজাল খনি আঁতৰি যায়,
এই বাঁহীটিৰ সুৰতেই তেনে, তেনে আৱৰণ খহিব পায়।
অনন্ত সুৰত বাজিছে বাঁহীটি জোন-বেলি-তৰা-নক্ষত্র জুৰি,
তাৰ ধ্বনিটিয়ে ভেদিছে নিতউ পৰ্ব্বত-সাগৰ-কানন পুৰী।
মহাশূন্য ভেদি মহাবিজনত তাৰে ৰাগিনীটি আপুনি বাজে,
কল্লোল ৰোল মহা সমুদ্ৰৰ ভেদি কি নীৰৱ ধ্বনিটি বাজে।
দুপৰ-নিশাত উঠে অনাহত ব্ৰহ্মাণ্ডময় গভীৰ ওঁ,
প্ৰকৃতি বুকুত ব্যাপি ধীৰে ধীৰে মিলে সেই ধ্বনি নীৰৱে ওঁ।
মণিটিৰ দৰে ডিঙিতেই লাগি আছে যিটি ধন প্ৰিয়ৰো প্ৰিয়,
তেওঁৰ সম্ভেদ সহজতে পাম ৰহস্য ভেদিব লাগিছে কিয় ?
অবিদ্যা আন্ধাৰ নাশিবৰ বাবে প্ৰাণৰ শলিতা লগাই লোৱাঁ,
মুক্ত কৰি লই অন্তৰ-বাহিৰ দুশ্চিন্তা ভাৱনা পেলাই থোৱাঁ।
একান্ত শৰণ লোৱাঁ আতমাত যি অন্তৰ্য্যামী জীৱনস্বামী,
ক্ৰুৰ কাল-ভয় এৰাবা কি লাভ ! চৰণৰ ছঁয়া আহিব নামি।
আত্মা প্ৰেমময়ে কৰিলে বৰণ শীতল-ছঁয়াৰে ধৰিব ছাটি,
প্ৰবচন, শ্ৰুতি, মেধাই নোৱাৰে নিজ প্ৰতিভাৰে আনিব মাতি।
সেই আতমাক স্তুতি কৰা হেৰা, অনন্ত দুৰন্ত শকটি যিটি
যাৰ প্ৰতি তেওঁ নিজেই প্ৰসন্ন,ভাগ্যবান্ তেওঁ,সাৰ্থক-গীতি।

অবিনাশী ধন সেই আতমাক সহজ ভাৱেৰে ভকতি কৰি,
অনন্ত জেউতি নেদেখিম জানো মৃত্যুৰ দুস্তৰ সাগৰ তৰি ?
সাৰ বুলি মানো কিয় চকু-মুখ দুদিনীয়া এই নশ্বৰ দেহা,
মায়াৰে আবৰা সংসাৰ-খনিক চিৰস্থায়ী কিয় বুলিম বেহা ?
দেখিছোঁ সদাই এই দেহা-ক্ৰম ছাই-মাটি হই এদিন যায়,
মাটিৰ সজাটি মাটিতে লুকায় আতমা-বিহগ উৰিযে যায়।
সেই বিহগৰ দুখনি পাখিত অঁকা আছে যিটি অমৰ বেশ,
নীল আকাশত উৰি উৰি তাৰে পায় জ্যোতির্ম্ময় নেদেখা দেশ।
মিছা মায়া এই সংসাৰ সম্বন্ধ আই বাই পিতা ককাই ভনী,
দুচকুৰ এই পচাৰ গুচিলে নেদেখিম আৰু সংসাৰখনি।
অকলশৰীয়া সেই বিহগৰ সঙ্গীহীন যাত্ৰা গভীৰ অতি,
দ্বিতীয়টি আৰু নাথাকে লগত অকলশৰীয়া বিজন গতি।
সেই বিজনত নুদে একো ভাৱ হৰ্ষ-উপৰতি কামনা আশা,
চিৰ প্ৰচ্ছন্নতা ব্যাপি পৰে ধীৰে চিৰস্তব্ধ কৰি ধৰাৰ ভাষা।
সেই জীৱনৰ লক্ষ্যটি সাৰটি পৰম সুখত উটিম আমি,
উষাৰ ৰথত দিগন্ত বিয়াপি সৰগ জেউতি পৰিব নামি।
আৰু ওখ আৰু ওখলই গই মাটিৰ ভাৱনা পাহৰি যাম,
অনাদিৰে সতে মিলিম শেহত পাহৰি নিজৰ জনম নাম,
এই জগতৰ যিজন দেৱতা, অমৃতৰো যি জনম-ভূমি
তেওঁৰ গুৰিত ক'ম আঁঠু কাঢ়ি এই জীৱনৰ স্বোৱামী তুমি।

তেওঁতে নিৰ্ম্মল ভকতি থাকক আঁতৰক মোৰ জনম-জাঁজ,
তেওঁকেই ভাবি চুচকু মুদিম এই জীৱনৰ লাগিলে সাঁজ।
নিবিচাৰো প্ৰভু কোনো জনমতো ভোগৰ মদিৰা সৰগ-পুৰা,
নৰকতো সুখ তোমাৰ নামটি থাকিলে সকলো জীৱন জুৰা।
এই পৃথিৱীতো প্ৰভুৰ জেউতি কতৰূপে হেৰা ৰইছে ফুটি,
মহাসাগৰৰ নাৰৱ বুকুত মাৰ যায় ঢৌ বিদৰে উঠি।
কত বীৰ, কত সাধু-মহাজনে সেই জনৰেই জেউতি আনি,
মিলি গল পুনু সেই জনকেই, ধৰণীত সেই জেউতি সানি।
সেই জনৰেই কত ফিৰিঙতি আহি নানা ভাৱে জনম ললে,
কোনো ৰজা হ'ল, কোনো ঋষি হই পুথিৰ পাতত কীৰিতি থলে
এই সংসাৰৰ নিৰল কুঞ্জত কত মহাজনে বাঁহীটি বাই,
শ্ৰদ্ধা আকৰ্ষণ কৰিলে কতৰ সেই জনৰেই সঁহাৰি পাই।
দুষ্কৰ তপস্যা কৰি কতজনে বিশ্বত নিজক আহুতি দিলে,
নিশঙ্ক নিৰ্ভীক কতজনে আহি মৃত্যুৰ শাসন-দণ্ডকো নিলে।
বিশ্বৰ লগত যোগ সাধি যদি কাৰাবাৰ হিয়া পৰিছে ভৰি,
এই সকলৰ মধুৰ স্মৃতিয়ে দিব সেই যোগ সফল কৰি।
কত শতিকাৰ আগেয়েই মৰা গায়ক-জনৰ সমাধি-থলি,
দেখি এতিয়াও করুণ-ৰসৰ বব অন্তৰত প্ৰবাহ বলি।
নশ্বৰ দেহাৰ শেষ সমাধিটি থয়ো ঢাকি যদি কাঁহিট বনে,
সেউজীয়া সউ নিকুঞ্জ-ছঁয়াটো তেনে গভীৰতা নেপায় মনে

ঢুকুৰা জনৰ লুকুৰা ৰাগিনী সমীৰ সোঁতত আপুনি বাজি,
স্নিগ্ধ পৰশেৰে অন্তৰ পৰশি দিব হৰষেৰে আপুনি ৰাজি।
সহস্ৰ শতাব্দী যক হানি নাই, চিৰনতুনতা স্নিগ্ধতা লই,
পথিকজনৰ শ্ৰৱণ জুৰাব বোৱাব প্ৰাণত প্ৰেমৰ নই।
অতীত যুগৰ চিৰপূজ্যতম সকলোকে মই জনাওঁ সেৱা,
সকলোটিকে লাগিছে আপোন—হাফেজ অথবা তাপসী ৰেৱা।
নায়ো যদি দেহা, দেহীটিৰে সেই দুটি চৰণত মূৰটি থই,
জনাম প্ৰাণৰ শত নিবেদন শত কোটিবাৰ কৃতজ্ঞ হই।
যদিওবা হলোঁ মহাপাপী মই দীনহীন মূঢ় মানৱ অতি,
তথাপিও মানো আছে অধিকাৰ জনাবৰ মোৰ হিয়াৰ নতি।
এই যুগৰেই কত দেৱতাৰ সুন্দৰ প্ৰাণৰ সংবাদ আনি,
আতমাৰ প্ৰতি জনাওঁ বন্দনা প্ৰাৰ্থনা সত্যৰ অৰ্ঘ্য-দানি।
আত্মাৰ প্ৰসাদ অন্তৰত লভি আপুনি নিজকে সন্তোষ দিওঁ,
সান্ত্বনা জনাই নিজেই নিজৰ বিষাদ জড়তা গুচাই নিওঁ।
আজি তেনে হেৰা এই অধমক দুভৰিৰে আৰু নিদিবা ঠেলি,
সুধাৰ আশাত অনন্তৰ পিনে উৰিব খুজিছোঁ ডেউকা মেলি।
নেজানো কেতিয়া পামগৈ কিবা পাওঁনে নেপাওঁ নোৱাৰোঁ কব,
চিৰ আকুলতা অন্তৰময় জুৰি ই জীৱন নীৰৱে ৰব।

প্ৰেমৰ গৌৰৱ।

প্ৰণয়ৰ ঘোৰ প্ৰত্যাখ্যান লভি কোঁৱৰ আছিল শুচি,
বকুলতলৰ আসনখনিত বহিল চকুলো মুছি।
নিশাৰ বতাহে ধীৰে মুছি নিয়ে ক্লান্তি অৱসাদ ৰাশি,
ৰাজকাৰেণ্ডত পোহৰ-শিখাটি জ্বলিল আন্ধাৰ নাশি।
কোঁৱৰৰ সৰু কোঠাটিত জ্বলে জিকিমিকি এটি শিখা,
যত ঐশ্বৰ্য্যৰ পৰম সম্পদ আছে যতনেৰে লিখা।
পাপময় এই ধৰণী-বুকুত পুণ্যৰ শলিতাগছি
কি গৰবেৰে জ্বলিছে চোৱাঁচো পাপৰ কালিমা মচি।
জ্বলা চাকি জ্বলা, জ্বলা হেঁপাহেৰে জগত পোহৰ কৰি,
ধোঁৱাময় এই বহল ধৰাত আভাৰ শিখাটি ধৰি।
পৱিত্ৰ তোমাৰ ৰশ্মি পৰশত গলি যক পাপৰাশি
কোমল শিখাটি দিন-দুপৰতো জ্বলি থক তাপ নাশি।
হৃদয়ৰ সখা তুমি হেৰা শিখা, সুকোমল জ্যোতি লই,
ৰাতিৰ নীৰৱ আন্ধাৰত তুমি বোওৱা পোহৰ নই।
চাই থাকোঁ মই তোমাকেই সখা শুদা এই ধৰণীত,
পচাৰ বিহীন দুয়োচকু মোৰ কৰি থাকা আলোকিত।
এইদৰে মই এদিন যেতিয়া তোমাক সাৰথি কৰি,
ভৱ-জলধিৰ পাৰ হবলই কান্দিম প্ৰভুক স্মৰি

সেই সুগহন তিমিৰত মোক দেখুৱাবা তুমি বাট,
শূন্য দৃষ্টি লই চাম তোমাকেই সামৰি সংসাৰ নাট।
জ্বলিবা নীৰৱে নিৰ্ব্বাত নিষ্কম্প মুৰ-শিতানত মোৰ,
মৰণ শয়ন কৰিবা পোহৰ বিনাশি তিমিৰ ঘোৰ।
নুমাব চাকিটি চাবা তুমি মোৰ স্পন্দহীন এই দেহা,
যিদিনা তোমাক শেষবাৰ চাই সামৰিম এই বেহা।
সেই সময়ত ঘটাবা প্ৰলয়, নপচাৰি চকু তুমি,
নিঃশেষ ৰূপে পেলাবা পোহৰ তিয়াগিম মই ভূমি।
আই ধৰিত্ৰীৰ কোমল কোলাত যিদিনা লুকাম গই,
সেইদিনা হেৰা মহা-শিখা ৰূপে জ্বলিবা বিহ্বল হই।
—ক্ৰমে হ'ল যুবা নিষ্পন্দৰ দৰে চাকিটিকে চাই চাই,
বুকুখনি মাথো উঠানমা কৰে সঁহাৰিটি গাত নাই।
সন্ধিয়া-আকাশ ভৰি উঠে ধীৰে নগৰাৰ ধোৱাঁবোৰ
সন্ধিয়া-আকাশ আৰু ম্লান কৰি পৰে লাহে লাহে ওৰ।
কল-চিম্‌নিয়ে কত ৰূপে ভেদে আকাশৰ বুকুখনি,
দিনৰ দিনটো যন্ত্ৰৰ শবদ হয় অতি অসহনি।
বিবিধ ভঙ্গীৰে পাখি মেলি মেলি উৰে পখী এটি-দুটি,
এটি-দুটিকৈ শাৰী শাৰী হৈ আকাশত ৰয় ফুটি।
নিস্তব্ধ নিমাত ৰাজপুৰিখনি দূৰৈত ডবাৰ মাত,
আৰতিৰ ধ্বনি, নতু সৈনিকৰ লাগিছে উছাহ গাত।

কৃষ্ণাদ্বিতীয়াৰ বুঢ়া জোন উদি পোহৰালে পূবাকাশ,
আমবনখনি পোহৰ পৰাত ধীৰে হ'ল পৰকাশ।
কেউপিনে আম, মাথো আছে কাত দুজোপা বকুল গছ
তাৰ তলতেই বহাৰ আসন দুখ য'ত খায় মছ।
অকলে কোৱঁৰে তাতে বহি আজি ভাবিছেনো কি কথা,
চকুৰ পানীৰে ছলছল চকু দেখি হায় লাগে বেথা।
লীলায়িত চুলি বিশৃঙ্খল হই নতুন শোভাটি ধৰে,
বসন-ভূষণে হীন হই যেন মালিন্য প্ৰকাশ কৰে।
নিষ্কজ্জ্বল হ'ল স্বৰ্ণ আভৰণ, চোলাত বুতাম নাই,
বোকা-ধূলি লাগি ভৰিৰ পাদুকা অতি বিবৰণ চায়।
কিয় হেৰা যুৱা কিয় এনে বেশ সান্ধ্যা পৰত আজি,
ৰাজকোৱঁৰৰ সুন্দৰ বেশেৰে নথই শৰীৰ বাজি?
কিয় এনে ম্লান মুখনি তোমাৰ দেখি হায় লাগে বেথা,
অকলই আজি কিয় বিজনত নাই কিয় মাত কথা?
উঠিল যুবক, এৰিলে আসন যায় ধীৰে খোজ কাঢ়ি,
উলটিব খোজে পুনু যায় গই দুটি খোজ আগ বাঢ়ি।
এছাটি বতাহে সৰা বকুলৰ আনিছে উৰাই বাস,
জোনাকৰ ৰশ্মি গছে গছে পৰি সৃজিছে মায়াৰ পাশ।
প্ৰতি পাতটিত নাচি উঠে যেন মায়াবীৰ মায়া খেলা,
জোনাকত নাচে, পোহৰত নাচে, পাতে মায়াময় মেলা।

জোনাক প্লাৱিত নীলাকাশখনি উঠে আবেগত কঁপি,
আঁকোৱালি ধৰি বহল বিশ্বক শূইনতে দেহা সঁপি।
সুদূৰ নভত পাতল ধৱল ৰূপালী মেঘৰ শাৰী,
মেঘদূত সম উৰি যায় ধীৰে লীলাগতি কৰি কৰি।
আকাশৰ কোলা জুৰি উৰি আছে সুদূৰৰ কিবা সুৰ
সুৱাতাৰ গাত আঁকি ছন্দ-ৰেখা পৰে ধীৰে ধীৰে ওৰ।
শূইনতে যেন দুটি বাহু মেলি কোনোবাই কয় কথা,
বকুল ফুলৰ মালাধাৰি যেন দুহাতত আছে গঁথা।
কাৰাবাৰ যেন চকুৰ চাৱনি নীলাকাশ সম নীলা,
বঙ্কিম সুঠাম আৰক্ত আযত স্নিগ্ধোজ্জ্বল অনাবিলা।
মনতেহে মাথোঁ, আকাশ নিৰ্ম্মল পৰম উদাস সম,
নাই একো ছবি,নাই একো লীলা, নয়নৰে মাথোঁ ভ্ৰম।
সমুখত সউ বহল পুখুৰী অগাধ অতল পানী,
তাৰে চকু-মুখ ধুই হেৰা যুবা বহঁাচো আসন আনি।
ভ্ৰমিছে যুৱকে অতি ধীৰে ধীৰে বকুলৰ তলে তলে,
সৰে কত ফুল নিৰলে নীৰৱে যুবাই ভৰিৰে দলে।
চেতনাবিহীন যেন সি দেহাটি ঘূৰি ফুৰে অকাৰণে,
নিশা আহে ধীৰে সুগভীৰ হই নাই গুণা তাক মনে।
সুৰভি অনিল লঘু হই আহে মেঘে আহি ঢাকে জোন,
এটি আধাফুটা দূৰৰ ৰাগিনী ফুটি উঠে নিকৰুণ।

চেঁচা পৱনৰ উদাস হিল্লোল লাগি যুৱকৰ গাত,
হৰিলে চেতনা চকুযুৰি ধীৰে মুদ খালে অকস্মাৎ।
পুখুৰী-পাৰৰ বননিত যুৱা পৰিল নিচাল খাই,
জনপ্ৰাণীহীন নিঠুৰ বিজনে ৰ'ল একেঠৰে চাই।
পুখুৰীৰ পানী নাচি নাচি উঠে সমীৰৰ বাও লাগি,
বিৰিগৰ এটি সৰু ডাল যেন পৰিল দুবৈত ভাগি।
ফেঁচাই কিৰিলি পাৰি নিলগত জনালে দুপৰ নিশা,
বাঁহৰ পখিয়ে জোকাৰিলে পাখি লুকাল মুখৰ ভাষা।
টোপনিত যুৱা হল নিমগন সপোনত দেখি কাক,
কথা কব খোজে তন্দ্ৰাই পুনৰ যুৱকৰ হৰে বাক।
দেখিলে সপোন—সাদৰী প্ৰিয়াই সুনীল মেখেলা পিন্ধি,
বিনোদ নয়ন যুগলেৰে যেন দিলেহি হৃদয় বিন্ধি।
অলকত শোভে কুসুম সুন্দৰ ডিঙিটিত মণিমালা,
অঙ্গে অঙ্গে জ্বলে অনঙ্গদেৱৰ অনুপম লঘুলীলা।
যৌৱন চঞ্চলি তিনি ভুৱনৰ জ্বলি উঠে ৰূপ-শিখা,
প্ৰতিটি চৰণ-পদ্মৰ চিন্ অলক্ত ৰাগেৰে লিখা।
ব্যাকুল যুৱকে কাতৰেৰে কয়—হেৰা হেৰা ক্ৰূৰমনা,
ত্যাগ কৰি মোক নেযাবা নেযাবা কৰোঁ মই আৰাধনা।
চোৱা মোৰ এই ভাগিল হৃদয় চকুৰ লোতক সৰে,
মোৰ যাতনাত বন-দেৱতাৰো নিয়ঁৰ-অশ্ৰু জৰে।

কৃপা কৰা মোক যাতনা-অগনি সুমুৰা সলিল সিচি,
পৱনেও চোৱাঁ কৃপা কৰে মোক কুসুম-সুৰভি বিচি।
বিয়াকুল হৈ যুৱক যেতিয়া আগবাঢ়ি আঠু কাঢ়ি,
ভৰি দুখনিকে সাৱটিবলৈ গল চকু নপচাৰি।
সন্দেহ-শঙ্কা-সপোনৰ হায় ইকি ভ্ৰম বিপৰীত!
—শূন্যত দুবাহু প্ৰসাৰি যুৱাই বাগৰিলে ধৰণীত।
অসীম অলীক গভীৰ শূন্যতা—প্ৰিয়া তাত নাই নাই.
সপোন অন্তত বিৱশ যুৱকে দুয়ো চকু মেলি চায়,
হায় বিধি মোৰ সপোন সুখকো নিঠুৰ মাৰাই ছান্দে,
ভূতলত বহি চকুপানী টুকি যুৱাই নিৰলে কান্দে।
মোৰ দুখ দেখি কান্দে তৰুলতা, বনদেৱী ম্ৰিয়মান,
তথাপি দৈৱৰ কুটিল গতিত মোৰ এনে অপমান!
নিকৰুণ হৈ কিয় প্ৰিয়া মোক দুভৰিৰে দিলা ঠেলি,
প্ৰকৃতিয়ে মোক চোৱাঁ সম্ভাষিছে বসন আঁচল মেলি
হৰিণীৰ দৰে চকু দুটি যেন এটিয়াও দেখোঁ মই,
নীলা কাজলত যেন ৰঙা-ৰেখা খঙে-ৰাগে তমোময়।
পুখুৰী-পানাত প্ৰতিবিম্বিত শোভাটিৰ নাম শশাঙ্ক,
তোমাৰ ৰাতুল বদন কমল শুভ্ৰ শশী নিষ্কলঙ্ক।
ভূমিচম্পা ফুল নখচন্দ্ৰ সম দুভৰিৰ আঙ্গুলিৰ,
নতুন মেঘৰ বিজুলী ৰেখাটি দেখি মোৰ চকু থিৰ।

কোৰঁ। প্ৰিয়া মোৰ দীৰ্ঘ জীৱনৰ এয়ে নেকি পৰিণাম,
দীঘল বিৰহ সহিবৰ বাবে কিয় মোক দিলা কাম ?
কাণে কাণে যেন কলে কোনোবাই যুবক বুজিলা ভুল,
চিৰবিচ্ছেদ ইয়ে প্ৰণয়ৰ, নহয় বিৰহ ফুল।
প্ৰিয় বিৰহত সুখ অতিশয়, মিলনৰ নিবিড়তা
বিশ্বময় ব্যাপি প্ৰণয়ীজনাক জনায় আশ্বাস কথা।
নিৰ্দ্দিষ্ট ৰূপটি জাগে মিলনত, বিৰহত সেই ৰূপ,
মহা অৰূপত যায় ধীৰে মিলি স্বৰ্গ হয় ভৱকূপ।
দুৰন্ত বিচ্ছেদ তোমাৰ ভাগ্যত প্ৰিয়া তব কোপমনা,
নিয়তিয়ে দুখ লেখিছে তোমাৰ, মিছা এই আৰাধনা।
কঁপিল যুবক, নিৰাশা ভাগৰ অনশনে পুৰি নিলে,
করুণ বেশৰ মিলন ছবিটি পুনু আহি দেখা দিলে।
মিলনৰ ছবি ! নহয় নহয়, সি যে মৰণৰ বেশ,
আঁৰ আতৰাই ললো চিনি মই পিছল বাটৰ দেশ।
সেইদিনা হায় সন্ধিয়া পৰত কি আশা বুকুত লই,
নিৰজন সেই মায়া-কুটিৰত অকলে ওলালো গই।
বিস্মৰণ হ'ল কি কথা কলো, মাথো জানো এটিবাৰ,
জানু পাৰি দিলো হৃদয়ৰ অৰ্ঘ্য চৰণত উপহাৰ।
হৃদয়ত জপা মালাধাৰি মোৰ শুকান সন্তাপময়,
আবেগেৰে সতে অৰ্পি চৰণত লভিলো কি পৰাজয় !

প্ৰত্যাখ্যান কৰি মোৰ নিবেদন আঁতৰিল কই কথা।
ক্ষমা কৰা মোক নোৱাৰিলো আৰু ৰব মই পাই ব্যথা।
হে মোৰ বিধতা, নিঠুৰ নিয়তি, প্ৰিয়া মোৰ নিৰদয়
শেষ কৰা মোৰ জীৱনৰ লীলা প্ৰেম মোৰ কৰা ক্ষয়।
অসহ্য এই বিফলতা মোৰ পূৰ্ণ ৰূপে শেষ হক,
নশ্বৰ ই দেহা ঢাকি সৰ্ব্বৰূপে বিফলতা বই যক।
কি মনো-মন্দিৰ গঢ়িছিলো মই কি মহা হেঁপাহেৰে,
প্ৰতিটি প্ৰহৰ মধুময় কৰি সৌন্দৰ্য্যৰ ৰচনাৰে।
সেই মন্দিৰৰ উন্নত বেদীটি মোৰ এই বুকুখনি,
সৰ্ব্বোত্তম কাৰ চৰণ কমল তাতে থাপি দুয়োখনি
কৰিছিলো পূজা চকুৰ পানীৰে জ্বলাই প্ৰেমৰ ধূপ,
মোৰ সি পূজাত উঠিছিল ফুটি কাৰ ছবি অপৰূপ।
মনোময় সেই মন্দিৰ কাষেদি গঢ়িছিলো এটি বাট,
কৰিছিলো পকা হৃদয়ৰ প্ৰতি-অস্থি থাপি হেৰা তাত।
শিল যেন টান, প্ৰতি অস্থি-কণা উঠিছিল কঁপি কঁপি,
প্ৰাণৰ বেদীৰ দেৱী গৰাকীৰ চৰণৰ ছাপ জপি।
কতযুগ হায় এইদৰে গল, নাহিল প্ৰতিমা মোৰ,
শূন্য বেদী বল কত যুগ ধৰি, জগাই প্ৰতীক্ষা ঘোৰ।
হৃদয়ৰ সেই ৰাজ বাটটিয়ে সুৰঁৰি অজান জন,
ৰল বুকু পাতি, পাব বুলি সেই চৰণৰ পৰশন।

কত কাল গল কত যুগ গল, শৰতৰ কত পুৱা,
বসন্ত জোনাকে কতবাৰ আহি দিলেহি মিচাতে ভুৱা।
বাসন্তী পুৱাত কুলিৰ মাতত ভাগে মোৰ বুকুখনি,
দুপৰ নিশাত কেতেকীয়ে আহি মাতেহি সময় গণি।
গহীন মন্থৰ আহাৰৰ মেঘে মোকে যেন চাই যায়,
ভৰ বাৰিষাৰ গভীৰ প্লাৱনে কি সুৰ জগায় হায়।
বসন্তৰ ফুল শৰতৰ শোভা জোনাকৰ বগা মেঘ,
আহি কতৰূপে কতবাৰ মোৰ বঢ়ালে অশ্রুৰ বেগ।
জানো যৌৱনৰ তপস্যা নৰব এদিন সকলো ওৰ
সুৰহীন হই ভাগিব এদিন প্ৰাণৰ বাঁহীটি মোৰ
একেটি আশাই সফল কৰিব পাৰে ই জীৱন মোৰ
কিন্তু সকলোটি মিছা আয়োজন জীৱন এন্ধাৰ ঘোৰ।
চিৰ বিচ্ছেদত ম্লান হই এই নশ্বৰ মানৱ দেহা
ক্ষীণ হই আহি দিনে দিনে হায় সামৰাব ভৱ বেহা।
প্ৰতীক্ষাৰ আৰু নাই অৱকাশ নাই আৰু প্ৰয়োজন
চিৰশূন্য হই ৰল ই আসন মিছা মোৰ নিবেদন।
কাণে কাণে যেন কলে কোনোবাই প্ৰিয়াক বিচাৰি চোৱা,
বিকচ-কুসুম কুঞ্জ-কাননত কি জানিবা দেখা পোৱা।
গোলাপ ফুলৰ মৃদুবাস লই বইছে সমীৰ ধীৰে,
প্ৰিয়াৰ নিশাহ সুৰভিটি যেন তাৰে সতে উটি ফুৰে।

কুলু কুলু কই, নৈ খনি সউ বই যায় গীত গাই,
কিজানিবা সেয়ে প্ৰিয়াই তোমাৰ নৈ হই বৈ যায়।
ৰূপহী পদুম ফুলিছে বিলত বগা ৰঙা সেউজীয়া,
নীল আভা থকা পাহিটিয়ে যেন চকুযুৰি বিনন্দীয়া।
ৰাজ হাঁহ চৰে বিলৰ দাঁতিত ম'ৰা থাকে চালি ধৰি,
যেন প্ৰিয়াৰ গমন, প্ৰিয়াৰ ৰূপকে দৰশাই অনুকৰি।
শোধা শোধা শোধা ধৰণীক শোধা, কত পালে এনে ৰূপ,
সেউজীয়া সউ ঘাঁহৰ দলিছা শোভে কিনো অপৰূপ।
ৰঙা তৃণ-ফুল প্ৰিয়া চৰণৰ গোট মৰা অলক্তক,
কিয় ভুল কৰা, কিয় বিৰহৰ ভ্ৰম কৰা অনাহক।
গুণি ভাবি যুবা ৰল নিশব্দে ধীৰে ধীৰে পূবাকাশ,
বগা ডাঁৰ লই উদ্ভাসি উঠিল উষা হল পৰকাশ।
চিঁচিঁয়াই উঠে ৰাহৰ ফেচুৰে দূৰৈত কুলিয়ে মাতে,
নচুৱাই যায় বিৰিখৰ পাত পুবাৰ শীতল বাতে।
শিয়ঁৰি উঠিল কদমৰ ফুল বাৰিষাৰ পৱনত,
জিলিকি উঠিল নগৰ কানন ধীৰে ধীৰে পোহৰত।
বিয়াকুল হৈ কান্দি কান্দি যুবা গ'ল নৈৰ পাৰে পাৰে,
পাৰে পাৰে গজা কদম-শিমলু-আঁহতৰ আঁৰে আঁৰে।
পছিম পাৰত পৰ্ব্বতৰ শাৰী উত্তৰ দক্ষীণ ব্যাপি,
কি গৰৱত জিলিকি উঠিছে সুনীল ছবিটি আঁকি।

নৈৰ বুকুত লহৰিয়ে খেলে মৃদু মৃদু পৱনত,
সূৰুযৰ ৰেখে প্ৰতিটি লহৰি চুমে আহি মৰমত।
যুৱাই শুধিলে, হেৰা নই খনি তুমিয়েনে মোৰ প্ৰিয়া,
তোমাৰ কোমল সোতৰ লগতে মোকো উটুৱাই নিয়া।
বলিয়াৰ দৰে লৰি লৰি যুৱা গল নৈৰ পাৰে পাৰে,
খন্তেক থমকি গছ-লতিকাক শুধি কথা বাৰে বাৰে।
কোৱা মোক কোৱা প্ৰিয়া পৰশন পালানেকি তোমালোকে,
সেউজীয়া লতা ফল-ফুল-পাত দেখি মোৰ ধৰে শোকে।
প্ৰিয়া পৰশত ইমান আনন্দ—ইমান সৌন্দৰ্য্য হায়,
তথাপি প্ৰিয়াৰ পূৰ্ণ ছবিটিযে মোৰ কপালত নাই।
মই মৰিলেও আকুলতা মোৰ ৰব মোৰে মূৰ্ত্তি ধৰি,
সমাধি ভেদিও ওলাই তৰিব চৰণ পৰশ কৰি।
হেৰা ফুল তুমি ইমান ৰাঙলি এনে কোমলতা ভৰা,
প্ৰিয়া চৰণৰ তুলনাত তুমি অতিকই পিছপৰা।
প্ৰিয়া নিশাহৰ সুৰভিত থাকে এনে দিব্য গোন্ধ ভৰি,
তোমাৰ সুগোন্ধ—সেই সুগোন্ধৰ অলপো নহয় সৰি।
ম'ৰাৰ পাখীত হৰিণী চকুত প্ৰিয়াৰ আভাস আছে,
তথাপিও প্ৰিয়া-নয়ন দুটিত অধিক জেউতি নাচে।
প্ৰিয়াৰ গমন শিকে ৰাজহাঁহে বিজুলীয়ে শিকে হাঁহি
প্ৰথম পুৱাৰ শেৱালি পাহিয়ো প্ৰিয়াৰ ৰূপত ৰাহি।

আহিবা প্ৰিয়াটি সমাধিটি মোৰ ডুভবিৰে তুমি ডেই,
ভাগি-ছিগি মোৰ জীৱন ইদৰে পৰি ৰব ইয়াতেই।
এটি কৃষ্ণ-তিল প্ৰিয়াৰ মুখৰ সেয়ে মোৰ স্বৰ্গধাম,
তাৰ বাবে মই তিয়াগিম হেৰা মোৰ ই জনম নাম।
সেই তিলটিৰ তুলনাত তুচ্ছ গোটেই ব্ৰহ্মাণ্ডখনি,
প্ৰিয়াৰ অপূৰ্ব্ব ৰূপ-সাগৰত স্ৰষ্টাকোনো কি গণি।
আত্মাৰ কামদ প্ৰিয়াৰ ৰাতুল পাৱ দুটি হেৰা চুমি,
পাহৰোঁ প্ৰাৰ্থনা, স্ৰষ্টা, স্বাৰ্থ আৰু নিজা মোৰ জন্মভূমি।
পুষ্পৰ সুবাস ভৰা প্ৰিয়াটিৰ শকুন্তল কেশ পাশ,
সেয়ে মোৰ স্বপ্ন তন্ময়তা ভৰা আতমাৰ শ্ৰেষ্ঠাবাস।
প্ৰিয়াৰ ৰাতুল ওঁঠ দুখনিৰ মউসনা কঁপনিটি,
দাঁত দুয়োপাৰি ডালিম-গুটীয়া মুকুতাৰ গাঁথনিটি।
সৰ্ব্বহ মোৰ এই পৰাণৰ জীৱনতো মৰণতো,
এই দুচকুৰ মহাধন মোৰ পোহৰতো আন্ধাৰতো।
আন্ধাৰতো মোৰ প্ৰিয়াই উজ্জ্বল, জোন বেলি অকাৰণ,
অমৃত পুষ্পৰ সুবাসেৰে ভৰা সেই দুটি শ্ৰীচৰণ।
এই ধৰণীৰ সৌন্দৰ্য্য অলীক আকাশ যে মিছা মায়া,
প্ৰিয়াৰ অমল পদ-নখ-কণা চিৰ-সৌন্দৰ্য্যৰ কায়া।
আকাশৰ তৰা আকাশ নীলিমা অতি বিতোপন সঁচা,
প্ৰিয়াৰ দুচকু কপোল-তিলক আৰু মাধুৰীৰে ৰচা।

চিৰ ঘনশ্যাম প্ৰিয়াৰ মুৰতি চিৰ জেউতিৰে ভৰা,
হাঁহি সুমধুৰ, প্ৰতিটি বাণীত সৰগৰ সুধা সৰা।
প্ৰিয়াৰ ধ্যানত লীন হই যুৱা পালেগই শেষ ঠাই,
য'ত সাগৰৰ বহল বুকুত নৈখনি মিলি যায়।
অগাধ গম্ভীৰ দক্ষিণ সাগৰ নাই যাৰ পাৰাপাৰ,
স্বৰগে-মৰতে মিলি পৰে যেন নীলাকাশ একাকাৰ।
সুমহান্ দৃশ্য দেখি সন্মুখত যুৱা ৰ'ল থিৰ হই,
সাগৰৰ অতি শীতল বতাহ ধীৰে ধীৰে গল বই।
মৃদু মৃদু মৃদু ঢউবোৰ নাচে সুনীল সলিলময়
দূৰ দক্ষিণৰ দিগন্তৰ ৰেখা কঁপি উঠে মায়াময়।
ৰঙা বৰণৰ ফ্লামিঙ্গোৰ দল উৰি যায় শাৰী পাতি,
সুনীল সাগৰ ভঙ্গীমাভৰা দীঘল ছঁয়াৰে ছাটি।
পছিম পটত শৈলশ্ৰেণী ক্ৰমে দক্ষিণমুখীয়া হই,
ক্ৰমে চাপৰাহি মহা-নীল দেহা দিগন্তত মিলে গই।
কোনোবাটো টিং ডাৱৰে আবৰা—যেন বগা খনীয়াৰে,
শ্যামবৰণীয়া সুঠাম পুৰুষে গা ঢাকি গাতি যাৰে।
কোনোবাটি টিং উদং উদাস তৰুলতা তৃণহীন,
কোনোবাটি ঘন গহন হাবিৰ সজীৱ শ্যামল চিন।
দুপৰ বেলিৰ চোকা ৰদতেই কোৰঁৰে বালিত বহি,
ৰ'ল চাই এই প্ৰকৃতিৰ ৰূপ সূৰুয সন্তাপ সহি।

পুবৰ বেলিটি ক্ৰমে ঘূৰি গই পছিমৰ ললে বাট,
যুৱকৰ হায় হৰিল চেতনা হৰিল মুখৰ মাত ।
কি সহিষ্ণুতা এই যুৱকৰ কি তপস্যা, কি অপেক্ষা,
কি সংযম, কি সাধনা, কি বিশ্বাস, কি তিতিক্ষা !
দুচকুৰ হায় চকুলো শুকাল সুগভীৰ বেদনাত
কলা পৰি গল কম মুখখনি নিদাৰুণ যাতনাত ।
তথাপিও হায় দুয়ো চকু যেন জ্বলি উঠে জেউতিৰে,
দুয়ো নাক যেন এটিয়াও হেৰা ভৰি উঠে সুৰভিৰে ।
বুকুৰ স্পন্দন এতিয়াও চোৱা দ্ৰুতভাৱে উঠে নাচি,
অন্তৰ পটত এতিয়াও যেন ছবিখনি থয় সাঁচি ।
—হেৰা মহোদধি তোমাৰ সলিল মোৰ চকু লোতকেই,
মোৰো এই প্ৰেমভৰা বুকুখনি তোমাৰেই সমানেই ।
অগাধ অপাৰ মোৰো যে প্ৰেমৰ নাই কূল, নাই তীৰ,
তোমাৰেই দৰে অতল অসীম সুশীতল সুগভীৰ ।
তোমাৰ সুনীল বহল বুকুত মোকো হেৰা ঠাই দিয়া,
বুকুৰ মাজৰ জুইকুৰা মোৰ আজি শেষ কৰি নিয়া ।
তোমাৰ শীতল চেনেহ মাগিছোঁ নকৰিবা মোক ঘিণ
এই মৰতত মোছ খাই যক সকলোটি মোৰ চিন ।
দুচকুত মোৰ জ্বলিছে অনল চকুৰ চকুলো ওৰ,
এই জনমৰ দাৰুণ বেদনা শেষ হক হেৰা মোৰ ।

—নামিল সন্ধিয়া প্ৰকৃতিৰ শোভা ক্ৰমে জুৰ পৰি গল,
পশ্চিম পটত সেন্দূৰীয়া এটি কলহ ওপঙি ৰ'ল।
দীঘলীয়া হই এছটা সেন্দূৰ সাগৰ বুকুত নাচে,
দলঙৰ দৰে ইমূৰে সিমূৰে লগালগি হই আছে।
তাৰে জেউতিত সোণোৱালী হ'ল সাগৰৰ বগা বালি,
দূৰৈৰ নাৱত তৰা পালখনো হ'ল ঘোৰ সোণোৱালী।
পৰি পৰি থকা শিলগুটি বোৰে ৰঙচুৱা বোল ললে,
পাৰৰ বালিত সলিলৰ চিন সমুদ্ৰই আঁকি থলে।
বহল পাখিৰে উৰি গুচি গল গুহাবাসী যত পখি,
শান্ত নীৰৱ সাগৰ গগনে ৰল আজি কাক ৰখি?
নিৰঞ্জন পৰ নিৰঞ্জন ঠাই শান্ত সাগৰখনি,
পৱন ক্ষন্তেক নিশ্চল হল কিজানো সময় গণি।
দূৰ উপকূল জুৰি গজি থকা নাৰিকল গছ শাৰী,
অলৰ অচৰ ছবিখনি যেন—নাই লৰা পাত-ঠাৰি।
সুনীৰৱ হল নাৱৰীয়াবোৰ দূৰণিত গীত গাই,
সূৰুযৰ ৰেখে সাগৰ ধৰণী শেষবাৰ চুমি যায়।
কাৰাবাৰ পদ-পৰশন লভা ৰঙা শিলগুটি এটি,
থাপিলে বুকুত যুৱাটিয়ে কৰি প্ৰণয়ৰ ওখ ভেটি।
লাহে লাহে কই অস্ত-অচলত সূৰুযে মাৰিলে বুৰ,
সাগৰ-বুকুত সন্ধিয়াৰ ছঁয়া বাজিল পুৰবী-সুৰ।

অকলে নীৰবে বল পৰি যুবা অশ্রুহীন চকু মুদি,
সাৰহীন চেঁচা শীতল শৰীৰ হাত-ভৰি-বুকু উদি।
শীতল আন্ধাৰ বিয়াপি পৰিল অস্ত গল দিনমণি
অস্ত গল এটি তুৰ্ভগীয়া জীৱ—নাই আৰু ওভটনী।
উঠিল জোৱাৰ মহাসমুদ্ৰৰ হল ঢৌ-হেন্দোলনী,
নাৰিকল-পাত কঁপাই পৱনে জগালে মৰ্ম্মৰ-ধ্বনি।

প্ৰতীক্ষা

লেখো-নেলেখোঁকৈ লেখিব খুজিছোঁ
শেষ মোৰ কথাখিনি,
সৃষ্টিৰ বেদনা নুবুজি বুজিছোঁ
সকলো পাইছোঁ চিনি।
সূৰুযৰ ৰেখে ধীৰে চুমে আহি
সৰু সেই পঁজাটিক,
ফুলনি খনিত নাই আজি হাঁহি
গাভৰুটি বিষাদিত।
অ' সখিয়তী হাঁহিটি বিচাৰি
নাহিবা নাহিবা আৰু,
শুদা পঁজাটিত চকুলো ঢুধাৰি
বিচাৰি কি হব বাৰু!
ফুলনি শুৱাই ফুলিছিল ফুল
আজিযে এটিও নাই।
তল ভৰি সৰা শেৱালি বকুল
মাটিতেই জহি যায়।

হুমুনিয়া চাৰি নাহিবা পখীটি
নানিবা দুখৰ বাণী
পঁজাৰ মুখত বহি ৰূপহীটি
টুকিছে চকুৰ পানী।
তোমাৰ বেজাৰে বেজাৰ বঢ়াব
চকুলোৰ ঢল বব,
দুঃসহ দুখে হৃদয় মেৰাব
নোৱাৰিব দেহি সব।
কৰিছোঁ মিনতি হেৰা সখিয়তী
যোৱাঁ তুমি দূৰলই,
হিয়া এখনিক কৰি লটিঘটি
নকৰিবা ৰঙ্ অই!
বিষাদেৰে ভৰা এছাটি সমীৰ
বই যায় লাহে লাহে,
তাৰ লগতেই যেন দূৰণিৰ
বতৰা এফাকি আহে।
নেকান্দিবা আৰু যাক বিচাৰিছা
সিজন ইয়াত নাই।
তলমুৱাকৈ আজি কি ভাবিছা
যোৱাটি নোলটে হায়!

লুইতৰ সোঁত কোনে ভেটা দিব
কোনেনো ৰাখিব ধৰি,
হেকুৱালা যাক আৰু কি আহিব
উজনি সোঁতত পৰি ?
নিঠুৰ বিধিৰ ইনো কি ধেমালি
নোৱাৰে উজাব কেৰে,
ভটিয়নী পানী বাৰিষা-খৰালি
চলিছে একেটি ভাৱে।
ওচৰত আজি তোমাক দেখিছোঁ
কাইলৈ নেদেখোঁ আৰু,
আজি মাতষাৰি তোমাৰ শুনিছোঁ—
শুনিমনে নিতৌ বাৰু ?
কাষত থাকোঁতে নেচালা উলটি
দূৰলই যেতিয়া গল,
কান্দিলে কি হব নাহেযে উভটি
কান্দিলে কিহব ফল ?
জীৱনৰ তৰণি উটি গই গই
পালেগৈ কোনোবা খিনি,
এই জনমত ওলটাবলই
পাব কোনে বাট চিনি ?

ঘটনা এটিৰ ফেৰ এই জনমটো
এটি ধুমুহাৰ ফল,
এটি আঘাততে শেষ এই জীৱনটো
এটি ফু-তে টলবল।
ভুল কৰি তুমি এই জনমতে
কৰিলা যদিহে কিবা,
এই ভুল যাব নিজৰে লগতে
হেৰুৱাবা পালা যিবা।
সাত শতুৰুকো চিনিব নোৱাৰি
নিচিনি মৰমৰ পিতা,
পৰাণৰ সখিটিক হৃদয় উবাৰি
কি হ'ব বুলিলে মিতা?
কান্দা সখিয়তী কান্দিব খুজিছা
মইতো নিদিওঁ হাক,
এয়ে কন্দা থল তুমিতো বুজিছা
কান্দিনো মাতিবা কাক?
ভৱ-দুপৰীয়া বহি গাভৰুৱে
ইছাতি-বিছাতি কৰে,
কেতিয়াবা বহে কেতিয়াবা শোৱে
সমূলি অকলশৰে।

এযুৰি কপৌৱে পঁজাৰ মুধত
কণ্দি কিয়নো মৰে,
ইটোৱে মৰম সঁপিছে সিটোত
ইটোৰ মুখ সিটোৱে ধৰে।
নেজানে দেখি ঐ এই মৰমবোৰ
এদিন কেনিবা যাব,
এদিন এটাক প্ৰীতি কৰি ওৰ
লাগিবযে হেৰুৱাব।
এবাৰ মাথোন এই জনমত
দেখাদেখি ইটে সিটে.
এদিন নিশ্চয় বিয়োগ-শোকত
লোতকত তনু তিতে!
তেনেহলে হায় এই জগতত
খিলঞ্জীয়া একো নাই,
বাটৰুৱাটিয়ে মিছা মৰমত
চেনেহ লগাই যায়।
থৰ লাগি বাৰু কিয় চাই আছে,
ৰূপহী গাভৰুটিয়ে,
মন-চানেকীত কিনো ফুল বাচে
কিনো অমিৰিত পিয়ে?

সহিব নোৱৰা দুখ পাই যদি
আছে আকাশলৈ চাই,
চকুলোৰে তেনে বই যক নদী
কোনোতো শোধোতা নাই
দুঃসহ দুখত বিয়াকুল হই
থক কান্দি দিনে-ৰাতি,
পঁজাৰ মুখত কোনোবাই গই
নিদিয়ে লগাই বাতি।
বেজাৰেৰে গঢ়া আন্ধাৰতে ৰই
কটাব লাগিব কাল,
দ্বিতীয় কোনোবা কথা কব লই
নাইযে কিনো কপাল!
ৰাজ চোতালত বহিল গাভৰু
শোকৰ সঙ্গীত শুনি
থিৰ কেউকাষে যত তৃণ-তৰু
বিষাদ বাৰতা শুনি।
চকুলো দুধাৰ দুচকুৰে বয়
আজি শেষ কৰা তাক,
প্ৰাণৰ অগনি হক আজি ক্ষয়
মোৰ আৰু নাই বাক।

ভাবে গাভৰুৱে কোঁৱৰৰ কথা
ব্যৱহাৰ ৰীতি-নীতি,
জনালে দাৰুণ কিয় বাৰু বেথা
গালে কিয় তেনে গীতি।
অন্তৰত পীড়া পালে অতিশয়
নাই তাত ভুল নাই,
কিয় তথাপিতো জনালে প্ৰণয়
বিষাদৰ গীতি গাই।
নাৰীৰ কাৰণে নৰৰ প্ৰণয়
মেঘত বিজুলী-ৰেখা,
ৰূপ শেষ হলে প্ৰণয় নৰয়
লুকায় সি মায়া-লেখা।
চকুৰ আগতে দেখিছোঁ মৰণ
জৰাই গৰল বাকে
অনন্ত অমৰ নাৰীৰ যৌৱন
আতমাত মাথো থাকে!
তেনে আতমাক কৰি অস্বীকাৰ
দেহক বিজনে মানে,
সেই জীৱনত শতেক ধিক্কাৰ
তেওঁতো একো নেজানে!

পতঙ্গৰ দৰে ৰূপৰ বহ্নিত
পৰি মৰে নিজে নিজে,
কিনো বিধতাৰ ইচ্ছা বিপৰীত
তেওঁৰ কি লাভ সিজে।
তথাপিও নৰে দেখি নাৰীদেহ
বিচাৰে কমনীয়তা,
চিত্তৰ বিভ্ৰম ই যে পাপ-গেহ
নুবুজেনে এই কথা ?
এই ধৰণীত কতনো ৰূপহী
কতৰূপে জনমিল.
নৰৰ হাতত দুখ-তাপ সহি
কান্দি কান্দি আঁতৰিল।
তাৰ বাবে দোষী নিঠুৰ বিধতা
নোহে নাৰী পাপভাগী,
সৃষ্টিৰ বিষম প্ৰণালী স্ৰজোতা
তাৰ বাবে অনুৰাগী।
ভাল পায় তেওঁ কৰি মানুহক
নানাৰূপে লটিঘটি,
কমনীয় তনু নাৰী-সৌন্দৰ্য্যক
তাৰ বাবে কৰে ব্ৰতী।

 PLEASE HANDLE THE BOOK CAREFULLY.

তাৰ বাবে কিয় নাৰীকেই দোষা,
　　নুদূষি নিঠুৰ বিধি,
দোষ-গ্লানি যত নাৰীৰেই ঘোষা,
　　পুৰুষৰ সেয়ে সিদ্ধি।
ৰূপৱতী যদি হয় কোনো নাৰী
　　দুৰ্ব্বলৰ পৰে চকু,
সি দোষ-বোজাৰ নাৰীয়েই ভাৰী
　　নাৰীকেই বোলা কটু।
কিয়নো পুৰুষে নাৰীৰ ৰূপত
　　কৰে ভুল মিছাকই,
এই কৃত্ৰিমালি পুৰুষ দেহত
　　পৌৰুষনো কেনেকৈ।
দুৰ্ব্বল কৰি স্ৰজিলে বিধিয়ে
　　নাৰী জাতি অকাৰণ
সবল পুৰুষে কিয়নো নিদিয়ে
　　কৰুণাৰ পৰশন !
বিধি নিষেধৰ নানা শাস্ত্ৰ ৰচি
　　যোগী-ঋষি-তপস্বীয়ে,
নাৰীৰ শৰীৰ মনক আলচি
　　'মায়া' বুলি লেখি নিয়ে।

মায়া অবিদ্যাই সূৰ্য্য জ্ঞান-ঢাকি
নৰক কৰিছে কণা,
সকলোটি দোষ নাৰীতেই ৰাকি
পুৰুষ হৈছে জনা।
এনে আচৰণ হায় পুৰুষৰ
—অবিশ্বাসী প্ৰতাৰক,
নিজে দোষী হই আনক দোষৰ
কৰে ভাগী অনাহক।
দুৰবল যদি তুমি অতিকই
চকুমুদি গুচি যোৱা,
নাৰী-সৌন্দৰ্য্যত অভিভূত হই
মোহাবিষ্ট কিয় হোৱা?
জোনাকত নচা তটিনী খনিক
পৰ্ব্বতে সাৱটি ৰাক
সুশীতল তাৰ সোণালী পানীক
ৰাখিব পাৰেনে আৰু!
সাগৰ ধিয়াই চলিব তটিনী
সকলো যিদৰে চলে,
এই সংসাৰত নাৰীয়ে বন্দিনী
হব কিয় তেনেহলে?

এই জগতৰ গৰাকী যিজন
সকলোৰে শেষ তেৱেঁ
তেওঁৰে সৃজিত নাৰীৰো জীৱন
সেভাবেযে তাক কেৱেঁ ।
নহলে কিয়নো সদাই নাৰীক
ৰাখে অৱৰোধ কৰি
বন্ধন ভৰা এই ধৰণীত
বান্ধি জৰপূৰ কৰি ।
মুকলি বতাহ উদাৰ আকাশ
নহয় নাৰীৰ বাবে,
অন্ধকূপ সম সংসাৰ আবাস
মাথোন সম্বন্ধ লাগে ।
চাবি বেৰে ঢকা ঘৰৰ মাজত
দুৰ্ভগীয়া এটি জীৱ,
ধৰফৰ কৰি মৰে অবিৰত
উশাহনো বয় কিয় ?
তোমাৰ কাৰণে কান্দিছোঁ কোৱৰ
নকৰিবা অভিমান,
যদিওবা এই দুখ-বেজাৰৰ
কলো কথা ভালেমান ।

সংসাৰত মই নিজকে দুষিছোঁ
নাই দোষ৷ তোমাকেই,
দুচকু তোমাৰ আজিও দেখিছোঁ
আছে লোত তিতিয়েই।
সৰুৰে পৰাই আমি দুয়ো লগ
ককাই-ভনীৰ দৰে,
লৰালি-কালৰ সুখৰ সৰগ
আজিও মনত পৰে।
তোমাৰ দুখত ময়ো যে কোঁৱৰ
পাইছো দাৰুণ ব্যথা,
আকৌ এদিন তুমি হৃদয়ৰ
নকবানে মোক কথা?
যাৰ চৰণত সঁপিছিলোঁ মই
জনম-কৰম-নাম,
সেইজনে হায় নিদাৰুণ হই
হ'ল আজি মোত বাম।
নিদাৰুণ শৰে ভেদিলে হৃদয়
কৰিলে ক্ষত-বিক্ষত,
এই জনমত ঘটিল প্ৰলয়
শেষ আৰু মোৰ ব্ৰত।

ভাবে গাভৰুৱে তপস্বীৰ কথা
যাক সঁপিছিল দেহ,
কিয় তেওঁ বাৰু কিনো ভাবি লেঠা
এৰি গুচি গল গেহ।
কিয় দুদিনৰ চেনেহ কৰিলে
কিয় বুলি প্ৰাণ প্ৰিয়া,
দুদিনৰ পিছে কি কথা ভাবিলে
দলি গুচি গল হিয়া।
সপোনৰ দৰে কিনো ই ধেমালি
কিনো এই প্ৰতাৰণা,
নিদাৰুণ কাল কি কথা শিকালি
কিয় হলি ক্ৰূৰ মনা?
তথাপিও যদি প্ৰাণত কোৱঁৰে
সাঁচিছিল ভালপোৱা,
ক্ৰূৰ বিধতাই কিয় বাৰু কৰে
ঘটনাটি এনে হোৱা।
এজনক মই অৰপিলোঁ দেহা
আৰু কি ঘূৰাব পাৰোঁ।
চিৰকাললই বেহালোঁ যি বেহা
—চিন্ আজি নাই তাৰো।

ৰাজ-কোঁৱৰৰ চেনেহৰ-মলা
ই বুকুত আছে গঁথা ;
অনীতিক তুমি কিয় আজি ছলা
কিয় ক'লা এনে কথা !
নাৰীৰ জনম দেৱতাৰ দান
মূৰ পাতি লওঁ মই,
দিছা আৰু কত ৰূপ-অভিমান
তাকো সামৰিছোঁ লই।
কত অনুতাপ বেজাৰ অগনি
দিনে-নিশা পুৰি মাৰে,
এই অভাগীৰ জনক-জননী
এৰি মোক দেহা সাৰে।
অকলশৰীয়া কৰি সংসাৰত
কিয় মোক দিলা মেলি,
দুয়োকোতো আৰু এই জনমত
নেদেখিম কোনো বেলি।
মৰু-সমনীয়া এই জগতত
ভ্ৰমিছো অকলে আজি।
সঁপিছিলো দেহা যাৰ চৰণত
তেৱেঁ৷ মোক গল তেজি।

অভিশপ্ত এই নাৰীৰ জনম
বিধিৰ নিঠুৰ লীলা,
যাৰ দুখ দেখি কঠিন পৰম
কান্দে পৰ্ব্বতৰ শিলা।
জনম-দুখুনী এই অভাগীৰ
নাইনে উপায় একো,
অতল জলত সউ পুখুৰীৰ
সুশীতল ছবি দেখো।
শেষ কৰো বুলি ভাবো ই জনম
তেওঁৰেই নাম জপি,
তাৰ বাবে মই লভিম মৰণ
কিনো সুখ দেহা সপি?
সদায় সূৰুয পচ্ছিমলৈ যায়
নিশা আহে মায়াবিনী,
চৰাই এটিয়ে শেষ-গীতি গায়
তায়ো যেন বিৰহিনী।
আন্ধাৰ নিশাত তৰাবোৰে কান্দে
মাজ-নিশা কিহে মাতে,
তন্দ্ৰা আহি মোৰ চকুযুৰি বান্ধে
যায় কোন বাটে বাটে?

ওৰে ৰাতি মই থাকো উজাগৰে
ভাবি জীৱনৰ কথা,
দুগালেদি মোৰ লোতক বাগৰে
নাই তাত কাৰো ব্যথা।
তিতে মোৰ বাহু, তিতে উপাধান
তিতি যায় দুয়ো গাল,
উদাস বতাহ সান্ত্বনা সমান
আক্ৰমেহি ঘৰ-চাল।
বাৰিষা মেঘৰ বিজুলী গাজনি
কাৰ তাত বুকু থিৰ,
নাই তাত নাই বুকুৰ বাঞ্ছনী
এই হতভাগিনীৰ!
নিসঙ্গ নিৰ্জ্জন ভগা জুপুৰিত
ওৰে ৰাতি উজাগৰে,
থাকো নিশৱদে দুখ-অগনিত
জ্বলি-পুৰি নিৰন্তৰে।
সেই সঙ্কটত কোনেওতো আহি
নিদিয়ে আশ্বাস-বাণী,
তোলা ফুলবোৰ নিতে হয় বাহি
দুখ কৰে কোনে জানি!

নিতে বাহি হয় যৌৱনৰ ফুল
কোনে তাক কৰে কাণ,
দিনে দিনে হায় ভাগি যায় ভুল
ভাগে ৰূপ-অভিমান।
বিকচ কুসুম শুকায় যেতিয়া
ক'লা পৰি যায় পাহি,
শেষ হয় তাৰ প্ৰাণৰ অমিয়া
মাৰ যায় মধু-হাঁহি।
মোৰো যে প্ৰাণৰ অমৃত লুকাল
জৰাই গৰল আনে,
প্ৰাণ প্ৰিয় মোৰ, কি মোৰ কপাল
দশা মোৰ কোনে জানে!
কেতিয়াবাকৈ আহিবানে তুমি
চাবলৈ এই দেহা,
কুঁজা হই মই সাৰটিম ভুমি
বেহাই যৌৱন বেহা!
নাই আৰু আশা, নাই আৰু আশা
জনম বিফলে গল,
এই হৃদয়ৰ কথা-গাতি-ভাষা
আজি মোৰ শেষ হ'ল।

এই সংসাৰক আওকাণ কৰি
যাওঁ গুচি দূৰলই,
য'ত কাৰো যেন নপৰশে ভৰি
তেনে দূৰ দেশলই।
মানুহৰ মাত নুশুনো যি ঠাইত
নাই য'ত বাৰী-ঘৰ,
হোৱা নাই য'ত মানুহ সৃজিত
আৰু নহবও নৰ।
বীণখনি মাথো থাকিব লগত
তাকেই আপোন বুলি
এই নিকৰুণ সৃষ্টিৰ মাজত
গাম গীত হিয়া খুলি।
অৰপিলোঁ যাক এই হিয়াখনি
তেওঁকেই আঁকি নিম,
শেহস্তত এই দুখৰ জীৱনী
তেওঁতেই অৰচিম।
শোক-বেজাৰৰ শবাসন-ঘোৰ,
ৰ'ম তাতে বাট চাই ;
আহিবা এদিন প্ৰিয়তম মোৰ,
জীৱ মোৰ নৌ যায়।

মৃত্যুৰ আন্ধাৰ নৌ আহোঁতেই
দেখা দিয়া মোক স্বামী,
তোমাৰ কঠোৰ দুটি পাৱতেই
আছে মোৰ হিয়া নামি।
— হঠাতে গাভৰু মূৰ্চ্ছিতৰ দৰে,
পৰিল নিঢাল খাই,
বীণখনি হায় দূৰলই পৰে,
তাঁৰ ডালি ছিগি যায়!
শুদা মাটিতেই বাগৰিল দেহা
দেখোঁতাতো কোনো নাই,
ৰূপহী বিদুষী এয়েনেকি বেহা
কিনো দশা হ'ল হায়!
এই সময়ৰ সৌন্দৰ্য্যৰ লীলা
নবৰ্ণাওঁ আৰু মই,
দুৰ্জ্জয় ৰূপেৰে বৰষিলে শিলা
লতাজুপি জানো ৰয়!
মূৰ-শিতানত বীণ পৰি ৰল
সুৰ-জুই নাই জ্বলা,
মেৰ খাই আছে তাতে অবিকল
এধাৰি শুকান মলা!

তন্দ্ৰা আহি ধীৰে ধৰিলে সাৰটি
সুকোমল চকু দুই,
সন্ধিয়া পৰৰ বাজিল আৰতি
আকাশত তৰা-জুই
সমাজিক এটি দেখি গাভৰুৰ
মুখখনি জিলিকিল,
হিয়াখনি যেন হ'ল ভৰপূৰ
আশা-ৰেখা বিৰিঙিল।
—দেখিলে সপোন —যেন কাপসব
বাহুটিত মূৰ থই
আছে তেওঁ শুই হই উজাগৰ
তাপসক বেৰি লই।
শৰতৰ জোনে ঢালিছে জোনাক
কুন্দ্ৰাক্ষৰ জলা ভেদি,
আছে দুয়ো শুই পাহৰি সন্তাপ
নামে ৰতি আকাশেদি।
কৰবাৰ পৰা বিবৰ্ণ বদন
কোৱঁৰ আহিল লৰি,
গাভৰুৰ হায় পৰশি চৰণ
ৰ'ল নিৰীক্ষণ কৰি।

কোমল উজ্জ্বল কাতৰ দৃষ্টিত
বেদনাৰ পৰকাশ,
একেঠৰে চাই কোৱঁৰ স্তম্ভিত
নাই মাত নাই ভাষ ।
হঠাৎ এবাৰ 'সুখী হোৱা' বুলি
শয্যাকায এৰি থৈ
লীন্ হুই যেন কোৱঁৰ সমূলি ।
কেনিবাদি গল গই ।
—অকস্মাৎ হায় ভাগিল সপোন
সকলোটি সুখ ওৰ,
দীন-দৰিদ্ৰই দেখে ধন-সোণ
ইকি বিড়ম্বনা ঘোৰ ।
সাৰ পাই ধীৰে উঠিল গাভৰু
মাটিৰ শয্যাৰ পৰা ,
বতাহত ভগা কুসুমিত তৰু
আধা জীয়া আধা মৰা
দেখিলে নিশাৰ প্ৰলয় আন্ধাৰে
বুৰালে জগতখনি
অন্ধকাৰে পাখি সঘনে বিস্তাৰে
একোকে হেৰা নমনি ।

প্ৰদীপবিহীন সৰু পঁজাটিয়ে
কৰে যেন হাঁহাঁকাৰ,
বিকীর্ণ পুষ্পৰ মৃদু সুৰভিয়ে
উপহাসে বাৰে বাৰ
এই নিশাতেই সহস্ৰ দম্পতি
সুখ-সুপ্ত কণ্ঠ-লগ্ন,
সহস্ৰ সহস্ৰ নক্ষত্ৰৰ বস্তি
আকাশত ধ্যানমগ্ন।
গাভৰুৰ হাঁয় ভাগিল সপোন
নিৰখিলে দশোদিশ,
সপোনত দেখা মাৰ গ'ল জোন
—ইকি ক্ৰুৰ সমাজিক!
ভাগিল সপোন ভাগিল হৃদয়
সকলোটি সুখ ওৰ,
অফুট ভাষাৰে গাভৰুৱে কয়
আহাঁ আহাঁ প্ৰিয় মোৰ!

———

মুক্তি।

ৰহস্যৰ মহা নিকেতন
হিমগিৰি শোভে বিতোপন,
ঘন-গুহা পৰ্ব্বত কন্দৰ
মৰতৰ মহান্ মন্দৰ,
কত গুল্ম লতা সমাকীৰ্ণ
মহাদেহা বিস্তিৰ্ণ বিদীৰ্ণ।
কত উচ্চ দীৰ্ঘ দেৱদাৰু
পুণ্যগন্ধ সৰল-সোণাৰু,
কত শত পুণ্য বনস্পতি
ওষধি বিটপী পুষ্পৱতী।
বন্ধুৰ অসম গিৰিভূমি
ৰাজে শৃঙ্গ নীলাম্বৰ চুমি,
ঠায়ে ঠায়ে বিকট গহ্বৰ
মহাকায় বিৰাট প্ৰস্তৰ।
তটিনী ঝৰণা ঝিৰ ঝিৰ
কল্লোল উথলে বাৰিধিৰ,
ঝৰ ঝৰ প্ৰপাতৰ পানী
তৰল ৰজত অনুমানি।

কত প্ৰাণী কত পশু-পক্ষী
ঠায়ে ঠায়ে আছে কাক ৰখি ?
নামহীন জাতিহীন লতা,
ফল-ফুলে কয় কাৰ কথা ?
ডালে ডালে গীত বিহগৰ,
উচ্চ ধ্বনি শুনি ময়ূৰৰ।
ঠায়ে ঠায়ে চন্দনৰ বন,
কৃষ্ণ-সাপে ঢাকে অঙ্গ ঘন।
ফুৰ ফুৰ বই যায় বায়ু,
জুৰ লাগে বাঢ়ি যায় আয়ু।
চুলি বন উলু-খেৰ পাই,
বাঘ থাকে দেহা লুকুৱাই।
বনৰ নিবিড় মায়া-ৰেখা,
কোনে পায় তাত বাঘ দেখা।
পৰ্ব্বতৰ গাত এটি বাট,
ওখলই উঠে অকস্মাৎ।
তটিনী সমান বেঁকা অতি
সৰ্পসম ক্ষীণ উৰ্দ্ধগতি।
সেই বাটে কোন সিটি নৰ
ধীৰে ধীৰে হয় অগ্ৰসৰ।

ওখলই ক্ৰমে উঠি যায়
দুৰূহ-দুৰ্গম পথ হায় ।
এনেঁ সেই তৰুণ তাপস
উপেক্ষিত বিবৰ্ণ বিৰস ।
আৰোহে কঠিন হিমালয়
পৃথিবীৰ পাহৰি প্ৰণয় ।
—হেৰা হেৰা কঠোৰ তাপস,
ৰাখিলা কিযনো অপযশ ।
সংসাৰৰ দুখ ভয় কৰি
বিচাৰি আহিলা শান্তি লৰি !
প্ৰণয়ী জনাৰ উপেক্ষাই,
দিলে জুই হিয়াত লগাই ।
মহা বিপৰ্য্যয় ভুল কৰি
মনতেই মিছা-মায়া গঢ়ি
অবিশ্বাস কৰি সংসাৰক,
বুলিলা অধম প্ৰতাৰক ।
কি অৰ্থ বিচাৰি আজি যাবা,
কি লাভ সন্ন্যাসী আজি পাবা ?
তোমাৰ নিৰ্দ্দয় ব্যৱহাৰে
মৰতৰ ফুল্‌টি সংহাৰে ।

নিঠুৰ প্ৰবল তুমি বায়ু,
হৰিলা ফুলৰ ক্ষুদ্ৰ আয়ু
মৰতৰ ৰীতি নুবুজিলা
নিৰদয় কি ভুল কৰিলা ?
—নিৰখে পৰ্ব্বত সন্ন্যাসীয়ে
দৃষ্টিয়ে সান্ত্বনা সিঁচি দিয়ে।
সুতীক্ষ্ণ জ্বলন্ত দীৰ্ঘদৃষ্টি
যোগাগ্নি কৰিছে যেন বৃষ্টি।
কুঞ্চিত সুকৃষ্ণ কেশ পাশে,
ঢাকি মুখ পৰে কেউকাষে।
চন্দ্ৰ সম কলঙ্কিত মুখ
নাই যেন জাত শান্তি সুখ,
প্ৰবল দুশ্চিন্তা প্ৰপীড়িত,
মুখৰ লাৱণ্য তিৰোহিত।
আন্ধাৰে আৱৰি ধৰে আহি
তাতো জ্যোতি পৰে ভাহি ভাহি।
শালপ্ৰাংশু চাৰু মহাভুজ
সিংহগ্ৰীৱ শৰীৰ নিৰুজ।
সুগৌৰ সুঠাম দেহা-ভূমি
তাকো আছে কলঙ্কই চুমি।

অসাৰ্থক অসাৰ কল্পনা,
অসত্যৰ ৰ্ণালি বৰ্ণনা।
কিয় আজি তাপস উদাস,
নাই পৰা কৰিব প্ৰকাশ।
তাপসৰ নাই আজি স্নেহ,
তিয়াগিলে ধন-জন-গেহ।
দুস্তৰ দুৰ্গম বাট ধৰি,
নিশ্চয় অকলে যাব তৰি।
সুবিস্তীৰ্ণ দেৱদাৰু বনে
বিস্তাৰে সুগন্ধ ঘনে ঘনে।
কঁপাই প্ৰশাখা-শাখা চাৰু,
কঁপি কঁপি উঠে দেৱদাৰু।
হিল্লোলিত পৱন-মধুৰ,
সুগন্ধ বৰষে অতি জুৰ।
সুগভীৰ শান্তি-ৰেখা টানি
কঁপি কঁপি উঠিছে বনানি
সুন্দৰ প্ৰশান্ত যোগালয়,
সমাধি ধ্যানৰ সুসময়।
পছিম পটত জ্যোতি ৰেখা,
হেঙুলিয়া হই দিয়ে দেখা।

অভ্ৰভেদী শিখৰত পৰে,
সুবৰ্ণ-শৃঙ্গৰ দৰে জ্বলে
বিহগৰ বিদায়-বন্দনা,
প্ৰতিধ্বনি কৰিছে ব্যঞ্জনা।
তটিনীৰ কুলু কুলু গীত,
শ্ৰৱণাভিৰাম সুললিত ;
তাপসে কান্দিছে—কিবা ভাবি
নিৰখে সঘনে গুহা-হাবি।
প্ৰতিপাত প্ৰতিটি লতাক
সাদৰি সাৱটি বোলে ৰাক।
নিখিলে ভূমাক সাৱটিছোঁ,
মুকুতিৰ আনন্দ লভিছোঁ,
শাশ্বত প্ৰাণৰ কেনে ধ্বনি,
তৰুৱে তৰুৱে উঠে স্বনি।
বন্ধহীন অনাদি আতমা
নিবিড় আনন্দ মনোৰমা,
সত্যৰ চিনাকি তুমি দিলা
হৃদয়ত শান্তি নিৰূপিলা।
নিৰজন সাগৰ তীৰত,
তোমাৰ বাক্যত হলোঁ হত !

জীৱনৰ বাসনা পাহৰি,
পৰিছিলোঁ কাষতে বাগৰি,
সৰল সুন্দৰ মূৰ্ত্তি চাই,
অভিভূত হইছিলোঁ হায় !
তোমাৰ প্ৰত্যেক অঙ্গ-ভঙ্গী,
কিনো ৰূপে উঠিছিল ৰঙ্গী !
অধৰৰ নৃত্যটি দেখিলোঁ
সুমধুৰ বাণীটি শুনিলোঁ !
চকুৰ কোমল দৃষ্টি দেখি,
হিয়াত ধ্ৰুৱত্ব ললোঁ লেখি ।
সেই ভঙ্গী আজিও উজ্জ্বল,
দুচকুত কৰে জলমল ।
সেই নৃত্য আজিও দেখিছোঁ
সেই বাণী আজিও শুনিছোঁ ।
—ধ্ৰুৱতৰা সউ আকাশত,
তোমাৰেই কটাক্ষ মহৎ ।
আলিঙ্গি ধৰিছোঁ তৰু-লতা,
তোমাৰে পাতিছোঁ মই কথা ।
অনন্ত ব্ৰহ্মাণ্ড তুমিময়,
ঘটা নাই বিৰহ প্ৰলয় ।

নিবিড় মিলন দুয়োৰেই,
বাকী ৰোৱা নাই একোৰেই।
তুমি ভূমা তুমি প্রিয়তমা,
সীমাহীন অ[illegible] আতমা।
কণ্ঠলগ্ন মণি মোৰ তুমি,
ধৰা হেৰা ধৰা মোক চুমি।
বাহিৰৰ জগত মায়াৰ,
অতিক্রমি হলোঁ আজি পাৰ।
তোমাৰ লগত মিলনৰ
পালো পথ উজ্জ্বল সুন্দৰ।
সেই পথে আজি যাম গই,
ক্রমে ক্রমে উঠি ওখলই।
উদাস তাপসে এইদৰে,
তৰু-লতা আকোঁৱালি ধৰে।
জ্যোতির্ম্ময় প্রশান্ত আনন,
উদ্ভাসিত সুন্দৰ বদন।
দুয়ো চকু বৈৰাগ্য উজ্জ্বল,
শান্ত দৃষ্টি কোমল-নম্ৰতা।
পৰ্ব্বত কৰিছে আৰোহণ,
বাধা দলি চলিছে চৰণ।

সকলো বস্তুতে আত্মা দেখে,
ব্ৰহ্মক নিজৰে কৰে একে।
মৰণ আন্ধাৰ মায়াৰাশি,
দলি আত্মা উঠিছে প্ৰকাশি।
তাৰে পোহৰত দেখে বাট,
মুকুতিৰ মেলিলে কবাট।
—এইবাৰ হেৰা বিৰহিনী,
হ'লা তুমি মঙ্গলৰূপিনী!
উঠঁা উঠঁা চোৰ্ঁা এটিবাৰ
প্ৰেমাস্পদে লভিলে উদ্ধাৰ!
—ঘটাকাশ মিলে আকাশত,
বিজুলী মিলিল জলদত,
বিশ্বৰ প্ৰাণৰ প্ৰবাহত,
বিম্ব মিলে বিম্বৰ লগত।
—মৃত্যুৰ এন্ধাৰ আৰু নাই—
জ্যোতিৰ তৰঙ্গ বৈ যায়।
জ্যোতিৰ পিছত আৰু জ্যোতি,
পৰমাত্মাৰূপে মহা জ্যোতি।
ঢৌৱে ঢৌৱে মহা পাৰাবাৰ,
জন্ম-মৃত্যু কৰে একাকাৰ!!!

DISTRICT LIBRARY.
TEZPUR

প্ৰিয়তম-বিত্ত বুলি জানি
লভিলে মুকুতি মহা-জ্ঞানী ।
—আৰু হেৰা নুশুধিবা কথা
শেষ হ'ল সকলোটি ব্যথা ।
মৰতৰ মায়া-মৰীচিকা,
অসুন্দৰ যত বিভীষিকা,
শেষ হ'ল—আজি শেষ হ'ল,
অনন্তৰ জ্যোতি বই গ'ল ।
—মৰতো এপাহি কুসুম,
জহিল, উঠিল চিতাধূম,
কালৰ সোঁতত উটি গ'ল
সকৰুণ-স্মৃতি এটি ৰ'ল ।

শেষ ।

মহালয়া, ১৮৫০ ।

জাননী

আমাৰ দোকানত স্কুল-কলেজৰ পাঠ্য-পুথি, ধৰ্ম্ম-পুথি, প্ৰা আৰু লাইব্ৰেৰীৰ কিতাপ, নাটক, উপন্যাস আৰু সকলো ৰক কাগজ, কলম আদি যাৱতীয় স্কুল-অফিচ আদিৰ নাগাগিত্যাল পাব

কীৰ্ত্তন	১॥০	চানেকি
কীৰ্ত্তন-ঘোষা	২।০	লিগিৰ
নামঘোষা	৸০	অথেলো
মদ্ভাগবদগীতা (কৃষ্ণগীতা পদ্য)	১।০	জেমছেদজী টাটা
পকেট গীতা (অসমীয়া ভাঙনি আৰু অন্বয় সহ)	১৲	হাঁহি-ধেমালি
চাণক্য শ্লোক	৶০	মালা
গজমুকুতা	।৵০	মকৰন্দ
মহাভাৰতৰ [illegible]	৴০	সংসাৰী
কথা ৰামায়ণ	৸০	মুকুতি
কথা মহাভাৰত	১৲	বিয়ানাম (ভাগছোৱা)
প্ৰহ্লাদ	[illegible]	বিয়ানাম
ভীষ্ম	[illegible]	নামাঞ্জলি
শকুন্তলা	।৵০	নৱৰত্ন
[illegible]	।	ৰমণী গাভৰু
আশিৰ্বাদ	।০	কুকুৰিকণাৰ আঠমঙ্গলা
[illegible]	৵০	ৰেৰেঙনীয়া কবিতা

বৰুকটকী কোম্পানী।

যোৰহাট।